বেজবৰুৱা বংশাৱলী

প্ৰথম ভাগ

ডাঙৰীয়া দীননাথ বেজবৰুৱা প্ৰণীত।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

দ্বিতীয় ভাগ।

বেজবৰুৱা ডাঙৰীয়াৰ পুত্ৰ

শ্ৰীনাথ বেজবৰুৱা

প্ৰণীত।

GOVERNMENT OF
Call No .....
DISTRICT LIBRARY

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰাই

প্ৰকাশিত।

সম্বলপুৰ। বেচ ১৲ এটকা।

Printed by D. P. Mitra
at the Elm Press,
63, Beadon Street, Calcutta.

উৎসৰ্গ

পূজনীয় পিতৃদেৱতাৰ পূত চৰিত্ৰৰ স্মৃতিৰ

আৰু

শ্ৰদ্ধাস্পদ অগ্ৰজৰ অশেষ স্নেহবিমিশ্ৰিত স্মৃতিৰ

উদ্দেশে

তেওঁলোকৰেই এই ৰচনা

আগবঢ়ালোঁ।

চত। ১৮৪৮ শক।
সম্বলপুৰ।

শ্ৰীলক্ষ্মীনাথ।

PLEASE HANDLE THE BOOK CAREFULLY

বেজবৰুৱা বংশাৱলী

জয় জগন্নাথ দেৱ দৈৱকী নন্দন ।
অনাথৰ নাথ তুমি প্ৰণত পালন ॥
ব্ৰহ্মা আদি দেৱে যাৰ চৰণ সেৱন্ত ।
যাৰ নাম স্মৰণে পাপৰ হোৱে অন্ত ॥
মহা মহা যোগী সমাধিত নপাৱয় ।
ভক্তি লেশ উদয়ত সমস্ত মিলয় ॥
পৰম পুৰুষ গুৰু বান্ধৱ মাধৱ ।
অষ্টাঙ্গে প্ৰণাম কৰোঁ হেন আদিদেৱ ॥
কৃষ্ণৰ ভৃত্যৰ ভৃত্য দ্বিজ দীননাথ ।
অজ্ঞানত মজি আছোঁ পৰম অনাথ ॥
পৰম কৃপালু গুৰু প্ৰসাদ লভিয়া ।
মতি অনুসাৰে পয়াৰক আৰম্ভিয়া ॥
ৰস ৰস ঋষি চন্দ্ৰ বৰ্ষে চৈত্ৰ মাস ।
বংশাৱলী পয়াৰ কৰিতে কৰোঁ আশ ॥
আমাৰ বংশৰ বৃদ্ধ পিতৃব্য দুৰ্জয় ।
হৰিৰাম ৰামহৰি পৰম সুনয় ॥

বংশৰ মধ্যৰ যত কথাক জানয় ।
মোৰ আগে সাৰশেষ কহিয়া আছয় ॥
ইদানিক বংশত সুনয় খ্যাতিমন্ত ।
লক্ষ্মীনাথ বৰুৱা পৰম গুণৱন্ত ॥
তান সঙ্গে আলোচন কৰি অতিশয় ।
আৰু বংশে বৃদ্ধ জ্ঞানী মানী মহাশয় ॥
দুতয় বৰুৱা হলিৰাম ৰাম খ্যাত ।
আনো যত বৃদ্ধ আছে পৰম বিখ্যাত ॥
যোগ্য অনুসাৰে আনি পুছিয়া সবাক ।
যাৰ স্থানে যেন মতে লভিলোঁ বাৰ্ত্তাক ॥
সিটো কথা ভবিষ্যত কালত অখণ্ডে ।
প্ৰকাৰ আশায়ে নিবন্ধিলোঁ পদছন্দে ॥
এহিটো আসাম দেশ যদ্যপি বিশিষ্ট ।
তথাপি নাছিল পূৰ্ব্বে বিজ্ঞ সাধু শিষ্ট ॥
ইন্দ্ৰবংশী ৰাজা নাম বুঢ়াভগনীয়া ।
ভুঞ্জন্ত বিপুল ভোগ ৰাজ্যক লভিয়া ॥
সিকালত আমাৰ উপৰি খ্যাতিমন্ত ।
কলিবৰ নাম বেদবিদ মহাসন্ত ॥
আয়ুস বেদত অতি পৰম প্ৰবীন ।
জ্ঞানী মানী বৈদ্যৰ যে বিদ্যাত নিপুণ ॥
কান্যকুব্জ দেশে যিতো জনম লভিয়া ।
বৈদ্যৰ-যোগক কৰে সদা অভ্যাসিয়া ॥

নানা তীৰ্থক্ষেত্ৰ সেৱি ফুৰান্তে যে পাছে ।
মাধৱ কামাখ্যা আদি তীৰ্থ সব আছে ॥
লোক মুখে শুনি তাৰ প্ৰভাৱসকল ।
মনত মানিলা ভৈল জনম সাফল ॥
সিসব দৰ্শন অৰ্থে আইল ইটো দেশ ।
ৰাজা শুনি তান গুণ নাম যে বিশেষ ॥
আপোন স্থানক আনি সাদৰে ৰাখিলা ।
ধনধান্য দাসী দাস নানা ভূমি দিলা ॥
উত্তৰৰ লখিম্পুৰ আদি তিনি স্থানে ।
হাজাৰেক ভূমি দিয়া ৰাখিলা যতনে ॥
ইদেশৰ যত বৈদ্যগণ আছিলন্ত ।
তাহাৰ বৰুৱা পাতি মান্যক দিলন্ত ॥
সিটো কাল হন্তে আমাসাৰ ঘৰে আতি ।
বেজৰ বৰুৱা নাম ভৈলন্ত প্ৰখ্যাতি ॥
কলিমন নামে এক দ্বিজ আসিছিলা ।
সিও জ্ঞাতি হেতু তান সঙ্গত ৰহিলা ॥
যাহাৰ সন্তান বাঢ়ি স্থানে স্থানে আতি ।
মৃদঙ্গীয়া কৈদ নামে ভৈলন্ত প্ৰখ্যাতি ॥
তাহাৰ বংশৰ কথা পৰে নিবন্ধিবোঁ ।
আমাৰ পুৰুষাৱলী প্ৰথমে কহিবোঁ ॥
যিমতে আমাৰ বংশসব বৃদ্ধি ভৈল ।
যাৰ বল গুণ নাম দিশক ব্যাপিল ॥

কলিবৰ বৰুৱাৰ পুত্ৰ মহামতি।
গোবিন্দ বৰুৱা নাম নানাস্থানে খ্যাতি ॥
ৰাজাৰ ধৰত মহামান্যক লভিলা।
একাচেকা বৰুৱা বজাই নাম দিলা ॥
তাহান তৃতীয় পুত্ৰ ভৈল শ্ৰেষ্ঠোত্তম।
জয়হৰি বৰুৱা জ্যেষ্ঠ ছোট অনুপম ॥
মধ্যম তনয় নাম পুৰুষউত্তম।
আমাৰ বংশৰ জানা পদ্মপুষ্প সম ॥
যাৰ যশ গুণে আছে লোকক বিয়াপি।
মহাসন্ত শিষ্ট সবে কহয় অদ্যাপি ॥
তাহাৰ বিশিষ্ট পুত্ৰ ভৈল চাৰিজন।
শিমলুঅটীয়া নিবাই আৰু নিৰঞ্জন ॥
আকৰা বিখ্যাত আৰু হালধিঅটীয়া।
শেষে চাৰিজনৰ সন্তান নাইকিয়া ॥
বিশেষত সিতো মহাসন্ত পঞ্চজন।
প্ৰতিজনে নৱ নৱ ভৈলন্ত সন্তান ॥
সি সবৰ আৰু যত গুণগ্ৰাম খ্যাতি।
পদবৃদ্ধি হৈবে জানি নকহিলোঁ আতি ॥
নিবাইৰ পুত্ৰ উগ্ৰসেন যে দুৰ্লভ।
মহাজ্ঞানী হৈয়া যোগ কৰিলা দুৰ্লভ ॥
শেষে কাশীক্ষেত্ৰে দণ্ড গ্ৰহণ কৰিলা।
প্ৰাণ ত্যাগ কৰি বিষ্ণুলোক আৰোহিলা ॥

যাক ৰাজঘৰ হন্তে মান্য কৰি আতি ।
শ্বেতকম্বলক দিয়া থৈল গোসাঁই পাতি ॥
কাকতীয়া ঘৰৰ যে শিৱনাথ নাম ।
তাম্বুলীফুকন গুণগ্ৰাম অনুপম ॥
তেহো আদি ইদেশৰ নানা ভদ্ৰলোক ।
যাৰ শিষ্য হৈয়া গৈল জানিবা প্ৰত্যেক ॥
দুৰ্গোৎসৱ সময়ত বৰ্ষে বৰ্ষে আতি ।
দুৰ্গা প্ৰতিমাক দেয় ৰাজঘৰ হৈতি ॥
যাৰ ব্ৰহ্মোত্তৰ ভূমি আছয় প্ৰকট ।
মঙৰা বচাত দাঁচৈ মাজালিত শত ।
আৰৰ উত্তৰ পাৰে আছয় বিশেষ ।
আমি সবো ভোগ কৰোঁ অদ্যাপি নিশেষ ॥
দুলভ গোসাঁইৰ পুত্ৰ গুণে শ্ৰেষ্ঠতৰ ।
ভট্টাচাৰ্য্য খ্যাতি পাইলা নাম বিশ্বেশ্বৰ ॥
তাহান ভগিনী পঞ্চজনা অতিৰেক ।
সাৰশেষে কহোঁ নাম গ্ৰাম সকলেক ॥
পহাৰ্জিসত্ৰত দিলা কামেশ্বৰী নামা ।
মাহৰাত দিলা দুৰ্গানামা নিৰুপমা ॥
কামেশ্বৰী দেবীৰ যে পতি মহাশয় ।
বিশ্বদেৱ নাম তাঙ্ক সকলে কহয় ॥
তান সুত কামদেৱ মহন্ত প্ৰখ্যাত ।
পৌত্ৰ ৰামদেৱ জানা আছয় সাক্ষাত ॥

সিজনৰ দুইগুটি পুত্ৰ সুশোভন।
ৰঘুদেৱ বিশ্বদেৱ গুণত নিপুণ॥
লোক মুখে প্ৰকাশিত গুণগণ যাৰ।
তাম্বুলী ফুকন কাশীনাথ নাম সাৰ॥
তাহাৰ দৌহিত্ৰী ৰূপে গুণে মহাধন্যা।
ৰঘুদেৱ দ্বিজে বিবাহিলা সিটো কন্যা॥
পৰম সুখত আছে নিজ পতি সঙ্গে।
বিবৰিয়া কহিলোঁ তো ইটো কথা ৰঙ্গে॥
ধৰ্ম্মেশ্বৰীকসে দিলা সত্ৰ বনগ্ৰাম।
তান হন্তে পুত্ৰ ভৈল বাসুদেৱ নাম॥
সিটো বাসুদেৱসুত আছয় সম্প্ৰতি।
পৰম ধাৰ্ম্মিক গুণ গণে সুবিনীতি॥
বনগ্ৰাম অধিকাৰী শ্ৰেষ্ঠ দ্বিজবৰ।
নাৰায়ণ বাপাটি যে সোদৰ তাহাৰ॥
আথাৰ মহন্ত স্থানে বিমলাক দিলা।
মুকলিমুৰীয়া ঘৰে কমলা পৰিলা॥
বিমলাৰ পুত্ৰ বসুদেৱ যে মহন্ত।
পুত্ৰ খগেশ্বৰ দেৱ সম্প্ৰতি আছন্ত॥
এহিমানে অন্ত ভট্টাচাৰ্য্যৰ কাহিনী।
আনোসব কথা মই কহিবোঁ ঐসানি॥
শিমলুজটীয়া ডেকা বংশ খ্যাতি মান।
তান সুত নাম ভৈল ৰামনাৰায়ণ॥

পুত্ৰ লক্ষ্মীনাথ পৌত্ৰ বেথাৰাম হয় ।
তাহাৰ তৃতয় পুত্ৰ সম্প্ৰতি আছয় ॥
ৰামদেৱ কুশেশ্বৰ আৰু ৰামদেৱ ।
দেৱগ্ৰাম স্থানে তাৰা বাস কৰিছয় ॥
বেথাৰাম ডেকা সুতা নামত জয়ন্তী ।
সহদেব ঠাকুৰত পৰি আছিলন্তি ॥
তাৰ পুত্ৰ জয়ৰাম সুমতি যোগাই ।
যথাৰূপে সুখ ভোগে অদ্যাপি আছয় ॥
আৰু পুত্ৰী কণ যে নামত মহাসতী ॥
ঠাকুৰ কৈদীয়া ভোলাই বিবাহিলা তৈতি ॥
কেতকী নামত সুতা সি ৰামদেৱৰ ।
পুৰ্ব্বীয়া মহাজনে বিবাহিলা তৰ ॥
হালধিঅটীয়া বিজয় সৰ্ব্বানন্দ ।
জয়ৰাম বলীৰাম বিজয় নন্দন ॥
সৰ্ব্বানন্দ পুত্ৰ বজুডেকা নাম সাৰ ।
বজু পুত্ৰ মধুৰাম বলো জয়ৰামৰ ॥
আৰবাৰ সন্ততি উদ্ধৱ নাম বৈলা ।
পুত্ৰ যে যিনাম তানহন্তে হুয়ো তৈলা ॥
শিৱহৰি নামঘৰীয়া বুলি নাম বৈল ।
নামঘৰীয়াৰ কোনো সন্তান নতৈল ॥
শিৱহৰি ডেকাবসে পুত্ৰ ঘিনাই নাম ।
তাহাৰ অনুজ আছে নাম বাপুৰাম ॥

তাহাৰ ভগিনী এক আৱৰ আছয় ।
যোগ্য অনুসাৰে নিজ পেটক পোষয় ॥
চতুৰ্থ জনৰ কথা এহিমানে থওঁ ।
নিৰঞ্জন বৰুৱাৰ আখ্যানক কওঁ ॥
ঈশ্বৰ ভৃত্যৰ ভৃত্য ভনে ইটো পদ ।
ৰাম ৰাম স্মৰা সবে খণ্ডাক আপদ ॥

দুলড়ী ।

আত পৰে শুনা, কহিবোঁ কাহিনি,
কথা ইটো বিপৰীত ।
আমাৰ উপৰি, নিৰঞ্জন নাম
বৈদ্যৰ বৰুৱা খ্যাত ॥

মহা ধৰ্ম্মশীল, পৰম বিদ্বান,
বৈদ্যৰ অতি বিচিত্ৰ ।
নানা তীৰ্থক্ষেত্ৰে, পৰম প্ৰকটে,
ফুৰিলা হয়া পবিত্ৰ ॥

তাহান তনয়, অতি শুভনয়,
জগন্নাথ নামে সাৰ ।
ৰজাৰ ঘৰত, বশক পাইলন্ত,
মৰ্য্যাদা অতি সৎকাৰ ॥

ভুঁৱালী বৰুৱা, নাম পায়া আতি,
বাজাৰ আজ্ঞাক ধৰি।
ব্ৰহ্ম যে পুত্ৰৰ, উত্তৰ দেশত,
প্ৰজা নিয়োজন কৰি॥

সেহি আপাহতে, বজাঘৰ হন্তে,
পাইলা গজবাজী ধন।
আৰু ভূমি দিয়া, শিলা আৰোপিয়া,
অষ্ট কোণে অষ্ট খন॥

তাহাৰ মধ্যত, যত লোক ছিল,
তাকো দিল দাসৰূপে।
সেই স্থানে আছে, গজশালা স্তম্ভ,
অদ্যাপি চিহ্ন স্বৰূপে॥

বিটো গৰখাই, বৰ বৰ বিল.
যেহেন ভৈ গৈল নদী।
অষ্ট গোট চাপ, হস্তী গছকাই,
বন্ধাইলা অতি প্ৰবন্ধি॥

ৰাজাৰ ঘৰৰ, লোক সব দিয়া,
নিৰূপিলা ঘৰবাড়ী।
তাহাৰ মধ্যত জ্ঞাতি বংশ দাস
বৈল ঘৰ শত চাৰি॥

অদ্যাবধি কৰি যিটো বাড়ীনাটি
শিলপোত নামে খ্যাত।
দুলড়িৰ ছন্দে, ভনে মূঢ়মতি,
ক্ষমিয়োক দোষ যত॥

ছবি।

আত অনন্তৰে শুনা, কহিবোঁ বিপুল কীৰ্ত্তি,
যিটো কথা ব্যাপিল দেশক।
জগন্নাথ বৰুৱাৰ সপ্তম তনয় জন্মি,
ভৈলা ৰূপে গুণে অতিৰেক॥
ভাৰ্য্যা দুইজনা অতি, পৰম সুন্দৰী সতী,
বৰঘৈনী সৰুঘৈনী খ্যাতি।
বৰ আইৰ তিনি পুত সৰুৰ চাৰিটি সুত
পৰম ধাৰ্ম্মিক শুদ্ধমতি॥
বৰজনাৰ পুত্ৰ জ্যেষ্ঠ হৰিনাথ বৰুৱা শ্ৰেষ্ঠ,
মধ্যম যে শ্ৰীকান্ত নাম।
কনিষ্ঠ কমলাকান্ত খৰ্গীয়া বৰুৱা শান্ত॥
পৰম পণ্ডিত অনুপম॥
হৰিনাথৰ পুত্ৰ জানা প্ৰাণনাথ মনে মানা.
তান পুত্ৰ কৃতজ্ঞ ভৈলন্ত।

কৃষ্ণ আৰু বিকাৰাম, অপৰ যে কিনাৰাম
কাঠবৰুৱা যে নিৰুপম ॥
মান্য ৰূপে গুণে আতি পৰম নিপুণ খ্যাতি,
যাৰ যশ আছয় অদ্যাপি।
তাহান পুত্ৰেক ভৈল, মধুৰাম নাম বৈল,
পাইল কাঠবৰুৱা খিতাপি ॥
তান সুত দেৱৰাম, যাদুৰাম, তুৱাৰাম,
ৰহিছিল কতিপয় কাল।
দেৱৰাম আত্মজ দুই কৃষ্ণৰাম নামভই।
যাদু পুত্ৰ লোকাই মহাই ভৈল ॥
কিনাৰাম সহোদৰ কৃষ্ণ নাম দ্বিজবৰ
উপজিল পুত্ৰ (পৌত্ৰ) যে গোবিন্দ।
গোবিন্দ সন্ততিভই বাপীৰাম নাম কয়,
কৈলো গুণগ্ৰামক অভেদ ॥
বিকাৰাম নাম যিটো পৰম নিপুণ সিটো
নেনাই নাম তাহান তনয়।
তাহান দুহিত্ৰী একা, ৰূপে গুণে অতিৰেকা
দেৱগ্ৰামে বাসক কৰয় ॥
শীতকণ্ঠ কটকি পুত্ৰ, লম্বোদৰ নামে তত্ৰ,
যাক বিবাহিলা অতিৰেক।
ইটো কথা পৰিহৰি, কহোঁ আবে যত্ন কৰি,
মহাশ্ৰেষ্ঠ সবৰ বাৰ্ত্তাক ॥

কমলা বৰুৱা মহা যশে গুণে জানিবাহা,
ব্যাপিলন্ত লোক লোকান্তৰ।
দশম তনয় হৈয়া লোক সব বল্লিলেকে
জানিবাহা সকলে সুসাৰ ॥
লক্ষ্মী যজ্ঞো শ্রীকান্ত, গঙ্গাই বৰুৱা শান্ত,
খোবাডেকা হৰি মহামতি
বলাই শ্রীৰাম সন্ত দেৱৰাম ধৰ্ম্মকান্ত
বহিছিলা মহাসুখে আতি ॥
পুত্র পুত্রী উপাৰ্জ্জিয়া কৰ্ম্মবশে ভোগ পাইয়া,
শেষে প্রাণ ত্যজিলা তহিতি।
আখ্যানক তাসম্বাৰ প্রপঞ্চিবো ইটো সাৰ
হৰি স্মৰি খণ্ডিয়া দুৰ্গতি ॥

পদ।

পৰম পণ্ডিত বৈদ্য বিদ্যাত বিখ্যাত।
লক্ষ্মী বৰুৱাসে যিটো পৰম সুশান্ত ॥
তাহান তৃতয় পুত্র জানিবা সুসাৰ।
ৰঘুনাথ নিৰাময় কিনাৰাম আৰ ॥
ৰঘুনাথ ডেকা বৰতামুলী প্রধান।
গোত্র মধ্যে প্রকাশিত গুণনাম তান।

ব্ৰজনাথ যিন দুই পুত্ৰ প্ৰভৱাইলা।
শেষে প্ৰাণ ছাৰি নিজ গুৰু সঙ্গ পাইলা ॥
ব্ৰজৰ ভগিনী চন্দ্ৰাদেৱী মহাসতী।
কামদেৱাল মহাজন বিশ্বনাথ আতি ॥
তেহোঁ বিবাহিয়া দুই পুত্ৰ উপাৰ্জ্জিলা।
ধৰ্ম্মেশ্বৰ যজ্ঞেশ্বৰ অদ্যাপি ৰহিলা ॥
যজ্ঞোডেকা সুত দুইজন মহাশয়।
মহেশ্বৰ ত্ৰাহিৰাম জানিবা নিশ্চয় ॥
মহাগুণৱন্ত আতি কাৰ্য্যত প্ৰবীন।
কহোঁ সাৰশেষে তাসম্বাৰ গুণগান ॥
হৰি পুত্ৰ লম্বো ধৰ্ম্মেশ্বৰ জয়দেৱ।
ধৰ্ম্মেশ্বৰ সুত দুই অদ্যাপি আছয় ॥
প্ৰাণনাথ ভোলানাথ গুণে মহাশয়।
সুখে ধৰ্ম্মাশ্ৰয় কৰি বাসক কৰয় ॥
বিশেষত লম্বোডেকা মহা শুদ্ধমতি।
শ্ৰীক্ষেত্ৰ আদি তীৰ্থ কৰিয়া ভকতি ॥
গয়া কাশী প্ৰয়াগাদি মহাতীৰ্থ আছে।
সি সি স্থানে সেৱি বৃন্দাবন গৈলা পাছে ॥
যিটো বৃন্দাবন স্থান পৰম প্ৰকৃষ্ট।
হৰি উপাসিয়া থাকে বৈষ্ণৱ সাধুশিষ্ট ॥
যাৰ নাম কীৰ্ত্তনে শ্ৰৱণে লোক তৰে।
সিটো পূৰ্ণব্ৰহ্ম কৃষ্ণ যাহাক নাচাৱে ॥

সিটো বন পৰ্য্যটন কৰা সময়ত।
ঈশ্বৰ ইচ্ছাত কাল ভৈল উপগত ॥
বসন্ত পীড়াত গ্ৰহৰেক সময়ত।
প্ৰাণ পৰিহৰি বিষ্ণুলোকে উপগত ॥
যিতো মহেশ্বৰ ত্ৰাহিৰাম শুদ্ধমতি।
গুণগণে নিপুণ বিখ্যাত মহাখ্যাতি ॥
পৰম পণ্ডিত নানা গুণত নিপুণ।
মহেশ্বৰ সুত আছে জানা তিনি জন ॥
হৰিৰাম কুশৰাম বলৰাম আৰ।
গুৱাহাটী স্থানে আছে জানিবা সুসাৰ ॥
এতিমানে তাসম্বাৰ গুণক সংহৰি।
কহোঁ গঙ্গাই বৰুৱাৰ গুণ শ্ৰেষ্ঠ কৰি ॥
মহাৰাজা লক্ষ্মীসিংহ নৃপ শিৰোমণি।
বৰজগুৱাৰ বৰুৱা পাতিলা আপুনি ॥
তাহান ভগিনী মহাগুণে শুভৰিতা।
প্ৰিয়বৰ মহন্তৰ ভৈল বিবাহিতা ॥
পুৰণিমাটি যে নাম আহতৰ গুৰি।
তাহাৰ মহন্ত সিটো জানা শ্ৰেষ্ঠকৰি ॥
যাৰ পুত্ৰ পতি ভাৰ্য্যা সমস্তকে আতি।
স্বৰ্ণ কঙ্কনক দিলা ৰজাঘৰ হৈতি ॥
কাকতীয়া (ভগীৰথ) বৰুৱাৰ পুত্ৰী মহাধন্যা।
বিবাহ কৰিলা চন্দ্ৰায়নী নাম কন্যা ॥

ভৈলস্ত সন্তান পঞ্চপুত্ৰ কন্যা এক ।
কহোঁ যে সমস্ত মই শুনিয়ো প্ৰত্যেক ॥
মধুৰাম তুৱাৰাম দেৱৰাম আৰ ।
দধিৰাম বাপিৰাম জানিবা সুসাৰ ॥
তাসম্বাৰ ভগিনী যে অতি নামা সতী ।
ৰূপে গুণে শোভনা পৰম ভাগ্যৱতী ॥
দেৱগ্ৰাম দেৱালয়ৰ বৃহৎ ঠাকুৰ ।
কদ্ৰেশ্বৰ নাম ধৰ্ম্মশীল দ্বিজবৰ ॥
তেঁহো বিবাহিলা সিটো কন্যাক ভদ্ৰিতি ।
ভৈলস্ত হেড়ম্ব নাম পুত্ৰ মহামতি ॥
অদ্যাপি আচয় নিজ ধৰ্ম্মক আচৰি ।
সপত্নী ভ্ৰাতৃৰ সঙ্গে মহাপ্ৰীতি কৰি ॥
তাৰ জ্যেষ্ঠ ভগিনী দময নাম বৈল ।
জগন্নাথ দুৱৰীয়া বিবাহ কৰিল ॥
কোমল দুৱৰীয়া সুত যাহাক কহয় ।
পুত্ৰ পুত্ৰী দুই গুটি অদ্যাপি আছয় ॥
ইসব চাবিয়া কহোঁ আচল কথাক ।
বকৱাৰ পুত্ৰ সমস্তৰ আখ্যানক ॥
বিভো পঞ্চজন ৰূপে গুণে শ্ৰেষ্ঠ অতি ।
বিশেষত জ্যেষ্ঠৰ কহিবোঁ মহাখ্যাতি ॥
মধুৰাম বৰুৱা যে বিশিষ্ট পৰম ।
বৈদ্য বিদ্যাবিশাৰদ জানিবা সুষম ॥

পুত্ৰেক হৈলাহা শ্ৰেষ্ঠ নামে মুক্তাৰাম।
গুণত নিপুণ সিটো বিখ্যাত পৰম ॥
চাপকটা মহন্ত সুতা বিহাইল তৈতি।
পৰম সুন্দৰ তিনি হৈআছে সন্ততি ॥
প্ৰথম যে হেমচন্দ্ৰ পৰম কুশল।
মধ্যম তুলসীৰাম কনিষ্ঠ কমল ॥
মধুৰাম বৰুৱাৰ অনুজ পৰম।
দেৰগয়াঁ বৰুৱা যে দধিৰাম নাম ॥
মহাজন ৰূপেগুণে খ্যাতিমন্ত অতি।
বিবাহিলা মহাই ফুকন সুতা সতী ॥
হৈলা দুই পুত্ৰ কন্যা অতি সুশোভনা।
তাহাৰ কহিবোঁ কথা সকলক শুনা ॥
সিটো কন্যা পৰম সুন্দৰী মহাসতী।
কেশৱ মহন্ত দ্বিজ তাইৰ হৈল পতি ॥
ঢেকিয়ালে বাস কৰে কন্যা এক হৈল।
বসেন্দ্ৰ বৰুৱা ঘৰে তাহাক বিহাইল ॥
তান জ্যেষ্ঠ ভ্ৰাতৃ যিটো পৰম শ্ৰীমন্ত।
গুণগণে নিপুণ পৰম খ্যাতিমন্ত ॥
ৰাজ দৰ্বাৰত সন্ত্ৰমক পায়া হৈল।
কলেক্টৰি চেৰেস্তাৰ অধিপতি হৈল ॥
লক্ষ্মীনাথ নাম গজপুৰীয়া বৰুৱা।
পৰম ধাৰ্ম্মিক শাস্ত্ৰগণ অভ্যাসিয়া ॥

যাহাৰ উদ্যোগে আমি ইহাক প্ৰবন্ধে।
সাধ্যমতে বিৰচিলোঁ ইটো পদছন্দে॥
মধুৰৰা নাম দ্বিজ পৰম ধাৰ্ম্মিক।
তাহান ভাতিজা গোপী জানিবা প্ৰত্যক্ষ॥
সিজনৰ সহোদৰা সতী যিটো ধন্যা।
বিবাহ কৰিলা তেহো জানা সিতো কন্যা॥
তাহাৰাৰ কন্যা দুই পুত্ৰ দুই আৰ।
ৰূপে গুণে সুশোভন জানিবা সুসাৰ॥
প্ৰথম তনয় ভৈল পদ্মনাথ নাম।
মহাবুদ্ধিমান সিটো গুণে অনুপাম॥
কনিষ্ঠ জনৰ পীতাম্বৰ ভৈল নাম।
তাসম্বাৰ কৈলো গুণগ্ৰাম যে পৰম॥
যিটো চন্দ্ৰকান্ত অতি পৰম শোভন।
গুণসৱ আছয় পৰম বুদ্ধিমান॥
যোগেশ্বৰ মৌজাদাৰ দ্বিজ মহাশয়।
বায়ন বৰুৱাৰ ঘৰ যাৰ নাম কয়॥
এক পুত্ৰ কন্যা একা তেওঁ জন্মাইলা।
পুৰণিমাটি সত্ৰে কন্যা বিবাহক দিলা॥
তাহাৰ দুহিতা বিবাহিলা মহামতি।
পৰম সুন্দৰী জানা আছয় সম্প্ৰতি॥
বাপুৰাম ডেকাবেলে পুত্ৰ দুইজন।
জনাৰ্দ্দন বজামুৱা জানিবা এইক্ষণ॥

তাসবাৰ মাতা তোলাই বৰুৱা জীয়ৰী।
নিজ পুত্ৰ সমে সুখে আছে বাস কৰি॥
নৰপৰিয়াল কথা এহিমানে এৰি।
অপৰ কথাক নিবন্ধিবোঁ যত্ন কৰি॥
যিটো সৰুআই জানা শিষ্টা মহাসতী।
তাহান গৰ্ভত চাৰি পুত্ৰ উতপতি॥
মহাবিজ্ঞজন যাক লোক সৱে কয়।
সৰু পৰিয়াল বুলি জানিবা নিশ্চয়॥
ৰঘু বিষ্ণু অঙ্গদ বৰুৱা অভিৰাম।
পৰম বিশিষ্ট চাৰিজন অনুপাম॥
ৰঘুৰেসে এক পুত্ৰ ৰামকৃষ্ণ নাম।
পুত্ৰ চতুষ্টয় ভৈলা শুনা গুণগ্ৰাম॥
কুশাই মিশ্ৰাই আৰু মাধ পৰ্শুৰাম।
সদা কৰ্ম্ম নিৰত গুণত অনুপাম॥
বিশেষত তাসবাৰ মন্দ ভাগ্য ফলে।
দুইবাৰ সন্ততি মৰি গৈলা অবিকলে॥
বিষ্ণু পিতামহ পুত্ৰ তিনিজন আতি।
পৰম পবিত্ৰ নানা স্থানে বৈল খ্যাতি॥
হৰিনাম নৰহৰি আৰু ৰামহৰি।
শেষকালে বিষ্ণুলোক পাইলা প্ৰাণএৰি॥
বিশেষত হৈৰাম ডেকা নাম যিটো জ্যেষ্ঠ।
পৰম বিশিষ্ট গুণে নামে মহাশ্ৰেষ্ঠ॥

ৰাজা প্ৰজা সৰ্ব্বলোকে যাহাক সাদৰি।
পৰম প্ৰখ্যাতি ৰাখে আতি মান্য কৰি॥
বিষ্ণুভক্ত আৰু বৈদ্য গুণত নিপুণ।
বংশজ্ঞাতি সকলোৰ জানে দোষ গুণ॥
যাতহন্তে পাইলোঁ আমি গোত্ৰৰ বাৰ্ত্তাক।
ইটো পদছন্দে নিবন্ধিলোঁ জানা তাক॥
তাহান কনিষ্ঠ ভ্ৰাতৃ ৰামহৰি নাম।
মহাধৰ্ম্মশীল গুণসবে অনুপাম॥
তান পুত্ৰ টুনিৰাম দুহিতৃ দুতয়।
নিজ মাতা সমে সুখে বাসক কৰয়॥
প্ৰথম দুহিতৃ ভগ্নী নামে যিটোসতী।
দিগম্বৰ ঘৰে দুৰ্গা বিৱাহিলা তৈতি॥
পতিহীনা হৈয়া এক পুত্ৰা সঙ্গে কৰি।
নিজ ভ্ৰাতৃ ঘৰে আছে মাতৃক সাদৰি॥
তাহাৰ অনুজা যিটো জেউতী নাম বৈলা।
কেচা উপাধ্যায় পুত্ৰ আত্মা বিবাহিলা॥
তাতহন্তে উতপন পুত্ৰ পুত্ৰী দুই।
মাতুলীত বাস কৰে মহাসুখী হুই॥
আৰ শুনিয়োক বাৰ্ত্তা অতি বৰুৱাৰ।
যাৰ যশ অদ্যাপিও প্ৰকাশে সুসাৰ॥
ভাণ্ডাৰী বৰুৱা নাম পাইয়া মহামতি।
যশ গুণ থৈলা যাৰ লোকত প্ৰকটি॥

সিন্ধুৰাম মধুৰাম জয়নাৰায়ণ।
অপৰ শ্ৰীৰাম শুনা কহো যশগুণ॥
সিন্ধুৰাম দ্বিজবৰ পৰম পণ্ডিত।
যাৰ ব্যৱস্থাক কেহো নাপাৰে খণ্ডিত॥
মহামন্ত্ৰী বুঢ়াগোহাঁই জানিবা প্ৰধান।
তান স্থানে পাইলা মহামান্য ধন ধান্য॥
ডেকাবৰুৱা যে নাম পাইলা মহামতি।
নানা বৈদ্য বিদ্যাসব প্ৰকাশিল তৈতি॥
তেহোঁ দুই কন্যা তিনি পুত্ৰ প্ৰসবাইলা।
মহীধৰ বাপ্পা বলোৰাম নাম থৈলা॥
অগ্ৰজ জানিবা মহীধৰ মহাসন্ত।
কনিষ্ঠৰ নাম বলোৰাম গুণৱন্ত॥
তান কন্যা সিধাই নামা সুন্দৰী পৰম।
বিকাই পূজাৰিৰ সুত হেমকণ্ঠ নাম॥
তেহোঁ বিবাহিলা অতি পৰম যতনে।
তান গৃহে অদ্যাপিও আছে বিদ্যমান॥
মধ্যম জনৰ কোনো সন্তান নহন্তে।
প্ৰাণ পৰিহৰি গৈল আয়ুসৰ অন্তে॥
অগ্ৰজৰ জায়া কদ্ৰাণী বিটো সতী।
বিষ্ণুদোল ঠাকুৰ যে কোমল সন্ততি॥
বিটো দুই কন্যা অতি জানিবা বিখ্যাত।
জেৰখানী কণিকী যে লোকে বখানন্ত॥

মাহৰা মহন্ত জয়দেৱ নামসাৰ ।
দেৱযানী বিবাহিলা কৰিয়া বিচাৰ ॥
তাহাৰাৰ পুত্ৰী নাম অম্বিকা ভৈলেক ।
কৰতীগ্ৰামৰ অধিকাৰ বিহাইলন্ত ॥
জালভাৰী ফুকন লোকনাথ নাম কয় ।
কণিকীক বিবাহ কৰিলা সিটো তয় ॥
তৃতয় দুহিতৃ তাহাৰ উতপত্তি ।
মহেশ্বৰী হেমকান্তী মাহিন্দ্ৰী সুসতী ॥
ঔৱাৰ মহন্ত জগন্নাথ মহাসন্ত ।
মহেশ্বৰী কন্যাক বিবাহ কৰিলন্ত ॥
আগমৰ শিৱদেৱ নাম মহাশয় ।
হেমকান্তী কন্যা তথা বিবাহ কৰয় ॥
যিটো নামা মাহিন্দ্ৰী পৰম গুণৱতী ।
তাহান সন্ততি আত নৰহিল জাতি ॥
শ্ৰীৰাম খুৰাৰ পুত্ৰ বেথাৰাম খ্যাতি ।
পুত্ৰী পূৰ্ণা সিধাই নীলাই তিনিজনা ভৈতি ॥
ভকতধূলি খাওন্দৰ যে বসু দ্বিজবৰ ।
পূৰ্ণীক বিবাহ কৰি গৈলা যমঘৰ ॥
কৌশিকৰ ঘৰে পৰিছিলা সিধাই সতি ।
তান পুত্ৰ ভূধৰ যে আছয় সম্প্ৰতি ॥
নীলাই নামা সতী পূৰ্ব্বকালে মৃত্যু ভৈলা ।
মধুৰাম ভেকাৰ সন্তান চাৰি বৈলা ॥

কানুৰাম বানেশ্বৰ আৰু ভূমিধৰ।
কাল হৈয়া গৈলা গুণ আছিল বিস্তৰ ॥
যিটো বলাই নাম শাস্ত্ৰ ৰূপেগুণে খ্যাতি।
নিজধৰ্ম্ম আচৰিয়া আচয় প্ৰকটি ॥
তাহান তনয় কৃষ্ণকান্ত চন্দ্ৰমল।
পিতৃসঙ্গে বাস কৰে পৰম কুশল ॥
হেমকান্তী নাম যিটো বলাইৰ ভগিনী।
কোমল দুৱৰীয়া সুত কৰিল ঘৰিণী ॥
তাহাৰ ভকত ধূলি খাওন্দ সুত।
ৰামনাথ নাম তাৰ জানিবা বিদিত ॥
আৰু নাৰায়ণ ডেকা মহাভাগ্যবান।
ত্ৰাহিৰাম গোবিন্দ যে পুত্ৰ সুনিপুণ ॥
গোবিন্দৰ পুত্ৰ নিত্যানন্দ লম্বোদৰ।
পৰম সুন্দৰ তাক জানিবা সুসাৰ ॥
নাৰায়ণ ভট্টাচাৰ্য্য দ্বিজ শুদ্ধমতি।
তাহাৰ ভতিজা হৰদেৱ নামে খ্যাতি ॥
সিজনৰ সুতা লম্বোদৰে আনি আছে।
জয়ডেকা খুৰাবে সে কহোঁ গুণ পাছে ॥
যাৰ যশগুণ লোক সকলে কহয়।
ৰূপেগুণে বিখ্যাত নিপুণ অতিশয় ॥
তানপুত্ৰ জাউৰাম কিনাৰাম থৈলা।
প্ৰাণ এৰি কৃষ্ণৰ ধামক প্ৰবেশিলা ॥

কন্যা হেমকান্তী ভেলাইবেসে ঘৰে দিল।
কান্নুৰাম দ্বিজে পৰি প্ৰাণক ছাৰিল॥
সিসবৰ কথা মই স্পষ্ট কৰি অতি।
যাৰ যেন কথা শুনি আছিলোঁ প্ৰকটি॥
অতি বৰুৱাৰ সুতা যিটো তিনিজনা।
দেহুতী বানাই আৰু কুৱাই নাম শুনা॥
কুৱাইক বিবাহিল অগ্নি মহাগুনে।
দেহুতী মাহবা সত্ৰে পৰিল যতনে॥
আহতৰ গুৰিৰ চান্দৰয়ন মহন্ত।
বানাই কন্যাক তেহোঁ বিহা কৰিলন্ত॥
নবদেৱ আৰু বাসুদেৱ পুত্ৰ ভৈল।
তাহাবাৰ দুই পুত্ৰ প্ৰভৱি ৰহিল॥
নবদেৱ সুত কান্নুৰাম মহাশয়।
বাসুদেৱ হন্তে বংশী অদ্যাপি আছয়॥
সিটো বানাইৰ পুত্ৰী কুন্দাই নামা সতী।
মলিয়া বৰুৱা লক্ষ্মী বিবাহিলা তৈতি॥
পুত্ৰ প্ৰিয়ৰাম পূৰ্ণকাম মহাশয়।
নিজালয়ে বাস কৰি অদ্যাপি আছয়॥
তাহাবাৰ ভগিনী দুভয় নিৰুপমা।
চন্দ্ৰিকা যে পদ্মাৱতী অন্নদা সুষমা॥
শিয়ালমৰীয়া যে মাধৱ মহাজন।
চন্দ্ৰিকাক নিলা কৰি পৰম যতন॥

অৱদাৰ কোনো সন্তানাদি নভৈলন্ত ।
পদ্মাক নিলেক চন্দ্ৰাকান্ত যে মহন্ত ॥
জখলাবন্ধীয়া সত্ৰ বুলি যাক কয় ।
পৰম ধাৰ্ম্মিক দ্বিজ অতি শুদ্ধময় ॥
এহিমানে পিতামহ ভৃতয়ৰ কথা ।
মতিৰূপে নিবন্ধিলোঁ নাহি অন্যথা ॥
আৰে মোৰ নিজ পিতামহৰ কাহিনি ।
শ্ৰুত অনুসাৰে কহো শুনিয়ো ঐসানি ॥
যদ্যাপি ইসব কথা সাৰশেষে তত্ৰ ।
নহি মতিহীন মই ৰচিবাৰ পাত্ৰ ॥
তথাপিতো কুলশীল শিষ্ট আজ্ঞা মানি ।
যথামতি নিবন্ধিয়া কহিলোঁ বখানি ॥
ইকথাত বঢ়াটুটা থাকে যতমানে ।
মোৰ মতি বুদ্ধি ক্ষমা কৰিও যতনে ॥
পৰম কৃপালু গুৰু চৰণ নমিয়া ।
ইটো পয়াৰক কৰোঁ ইষ্টগুৰু ছাঁয়া ॥
কৃষ্ণপাদ পঙ্কজক হৃদয়ত ধৰি ।
পাপ দূৰ কৰি সবে বোলা হৰি হৰি ॥

পিতামহ মোৰ জানিবা প্ৰচুৰ
বৈষ্ণৱ অতি প্ৰধান ।

মহা ধর্ম্মশীল পরম বিপুল
গুণগণে অখণ্ডন ॥
গোত্র মধ্যে শ্রেষ্ঠ পরম গরীষ্ঠ
প্রতিপালি জ্ঞাতি বংশে ।
বৈষ্ণব বকরা অঙ্গদাখ্যাখর
অদ্যাপি লোকে প্রশংসে ॥
গুণযশ রাশি করিলা প্রকাশি
বজাপ্রজা সমস্তেতে ।
পাইয়া মহামান্য কৈলা নানাপুণ্য
যাক কহে শিষ্ট সম্ভে ॥
জ্যৈষ্ঠ যে মাসত কাল উপগত
কৃষ্ণপক্ষে দিবসত ।
হরির বাসরে আয়ুস অন্তরে
বিষ্ণুলোকে উপস্থিত ।
তান ভার্য্যা দুই অতি শুভনয়
সুধর্ম্মা রোহি আরব ।
রোহি সুত নাই সুধর্ম্মার ত্রয়
তৈলা অতি দিব্যাকার ॥
পিতামহী জ্যেষ্ঠা পরম গরীষ্ঠা
সুধর্ম্মা নাম প্রকাশ ।
মাঘমাস দিবা পৌর্ণমাসী পায়া
পাইলেক বিষ্ণুবাবাস ॥

বোহি দেৱী আই ফাগুণক পাই
কৃষ্ণপক্ষ পঞ্চমীত।
হৰিনাম স্মৰি প্ৰাণ পৰিহৰি
কৃষ্ণ স্থানে উপগত॥
মোৰ পিতৃনাম জানা কৃষ্ণৰাম
বৈদ্যৰ বৰুৱা খ্যাত।
যাৰ যশৰাশি লোকত প্ৰকাশি
বৈল দেশ বিদেশত॥
মহা নৃপমণি ৰাজেশ্বৰ জানি
শক্ৰ সম প্ৰকাশিত।
তাহান স্থানত শ্ৰেষ্ঠ সঙ্গে বৈভ
বৈদ্যকাৰ্য্যে নিয়োজিত॥
তদৱধি কৰি পৰম সাদৰি
ৰাজা মন্ত্ৰীবৰ্গে অতি।
যতনে ৰাখিলা মহামান্য দিলা
যাৰ গুণে কৰি খ্যাতি॥
বৈদ্য বিদ্যা যত আছিল শাস্ত্ৰাত
মহী ধন্বন্তৰীসম।
ব্যৱস্থাক যাৰ জানিবা সুসাৰ
দিবাক নাহি উপাম॥
পঞ্চাধিক শত বৰ্ষ ভুঞ্জি ভোগ
প্ৰপৌত্ৰ পৰ্য্যন্ত দেখি।

স্নানি গঙ্গাদেৱী স্নান সত্ৰ সেৱি
কৃষ্ণৰ পদ উপেখি ॥
বেদ বান হয় চন্দ্ৰ নিয়োজয়
হায়ণ মাস শ্ৰাৱণ।
শ্বেত পক্ষ দিবা ত্ৰয়োদশী পায়া
স্বাতিভক্ত বিত্তমান ॥
গোত্ৰ শ্ৰেষ্ঠগণে বেঢ়িয়া যতনে
মৃত্যুৎসৱ আচৰন্তে।
ৰামনাম স্মৰি প্ৰাণ পৰিহৰি
কৃষ্ণধাম উপগত ॥
তান পুত্ৰ দুই সক জানা মই
মতি দীন অতিশয়।
কৃষ্ণ পাৱে অতি কৰিয়া প্ৰণতি
পদছন্দে নিৰূপয় ॥
দীন মূঢ়মতি জানিয়া সম্প্ৰতি
শিষ্টে ক্ষমা দোষ যত।
ইচ্ছুক সকলে শুনি অবিকলে
প্ৰত্যাবায় কৰা হত ॥

দুই পত্নী বিবাহিলা মোৰ পিতৃদেৱ।
সাৰশেষে কহোঁ তান পদে কৰি সেৱ ॥

প্ৰথমৰ বিবাহিত চন্দ্ৰায়নী সতী।
তান পিতৃকুলে কেহো নাথাকিল ঐতি ॥
বিশেষত তান পুত্ৰ এক কন্যা দুই।
গুণযশ সমস্তক লোক সবে কয়।
পুত্ৰ যিটো মোহোৰ অগ্ৰজ খ্যাতিমন্ত।
হলিৰাম বৰুৱা পৰম গুণৱন্ত ॥
বৈদ্য বিদ্যা আদি নানা শাস্ত্ৰত পাৰ্গত।
ৰজা প্ৰজা সমস্তকে মান্য অবিৰত ॥
বৈদ্য শাস্ত্ৰ আদি বিদ্যা জানি আছে মানে।
পৰম সাদৰে মোক শিখাইল যতনে ॥
সকহস্তে প্ৰতিপালি পুত্ৰৱতে অতি।
মোহোক বঢ়াইলে ইটো জানিয়া সম্প্ৰতি ।।
জালভাৰী ফুকন আদি চতুৰ্থ বিষয়।
পাই আছে মহামান্য সুখ অতিশয় ॥
ডিচিয়াল কটকি মন্মথ সুতা ধন্যা।
গুণেৰূপে উপমা নাহিক যিটো কন্যা ॥
তাহাক বিবাহ কৰি আনিলা নিশ্চয়।
অৰুণ নামত সতী গুণ অতিশয় ॥
দুইকন্যা তিনিজন পুত্ৰ প্ৰসবায়া।
মহাপুণ্য উপাৰ্জিয় সুখভোগ পায়া।
আয়ুসৰ শেষে কৃষ্ণপক্ষ কাৰ্তিকত।
অষ্টমী তিথিত বিষ্ণুলোকে উপগত ॥

প্রথম দুহিতৃ যিটো যজ্ঞো নাম কয় ।
ৰূপেগুণে অনিন্দিত অদ্যাপি আছয় ॥
চন্দ্ৰ কটকি পুত্র জয়কৃষ্ণ নাম ।
বিবাহ কৰিয়া বৈল গুণে অনপাম ॥
তান হস্তে তিনি পুত্র পুত্রী এক হয় ।
বৰ সক দুইজন অদ্যাপি আছয় ॥
কাসুৰাম নাম বৰ কনিষ্ঠ কোমল ।
মহাবুদ্ধিমন্ত দুই কার্য্যত কুশল ॥
তাহাৰ ভগিনী যিটো ৰমাকান্তী সতী ।
ত্রিলোচন দ্বিজবৰে বিবাহিলা তৈতি ॥
শিতলৰ অধ্যাপক সুত মহাশয় ।
যোগদেৱ উপাধ্যায় যাৰ নাম কয় ॥
তান পুত্র সিটো ত্রিলোচন জানা সাৰ ।
গুণত নিপুণ বিদ্যা আছয় আৰৰ ॥
মোৰ অগ্রজৰ পুত্র আছয় প্রকটি ।
তাহাবাৰ আৰে কহোঁ নাম কৰ্ম্ম খ্যাতি ॥
প্রথম তনয় বিপুঞ্জয় মহামতি ।
ৰূপেগুণে প্রকাশিলা নানাস্থানে খ্যাতি ॥
বৈষ্ণব বকৰা হৈয়া সদ কৰ্ম্ম কৰি ।
গোত্র জ্ঞাতি মধ্যে ছিলা পৰম সাদৰি ॥
কোমল দুৱৰীয়াবৰ জন্মি নাম হয় ।
তাহাৰ তনয়া বিবাহিলা মহাশয় ॥

দুই পুত্ৰ ভৈল অতি পৰম শ্ৰীমান ।
শুকদত্ত পদ্মনাভ অতি গুণবান ॥
আধাৰ মহন্ত মহেশ্বৰ সুতা ধন্যা ।
শুকদত্তে বিবাহিলা পাছে সিটো কন্যা ॥
সেহি শুকদত্ত আতি বুদ্ধিত কুশল ।
আৰু পূৰ্ণানন্দ তাৰ নাম সুবিমল ॥
বিশেষত বিপুঞ্জয় বৰুৱা সুশান্ত ।
পৰম ধাৰ্ম্মিক সুবিনয় গুণৱন্ত ॥
নানা সুখভোগ ভুঞ্জি থাকিয়া তহিত ।
চৈত্ৰমাস কৃষ্ণপক্ষ হৰিবাসৰত ॥
ঈশ্বৰ ইচ্ছাত তাৰ কাল আসি ভৈল ।
কৃষ্ণমন্ত্ৰ জপি শুক সঙ্গক লভিল ॥
তাহাৰ মধ্যম ভ্ৰাতা বিজ্ঞ গুণৱন্ত ।
ভদ্ৰনাথ নাম বৰতামুলী সুশান্ত ॥
বৈদ্য বিদ্যা জানয় কাৰ্য্যত সুবিনয় ।
সৰ্ব্বলোকে জানে যাক সাদৰি আছয় ॥
জাতিভক্ত আৰু পিতৃজনে ভক্তিমান ।
গুণত নিপুণ অতি পৰম শ্ৰীমান ॥
মাজুদোল বৰুৱা যে লক্ষ্মীনাথ নাম ।
তাহাৰ দুহিতৃ গুণগণে অনুপাম ॥
তাক বিবাহিয়া তিনি পুত্ৰ এক কন্যা ·
প্ৰসৱায়া আছে সিটোজন মহাধন্য ॥

কিনাৰাম বিভ্যানন্দ নাৰায়ণ আৰ ।
ৰূপেগুণে যোগ্যবান জানাহা সুসাৰ ॥
তাহাবাৰ সহোদৰা পৰম কুশলা ।
মোহিনী নামত খ্যাত ৰূপে সুমঙ্গলা ॥
মধ্যম জনৰ কথা এহিমাণে এৰি ।
কনিষ্ঠৰ কথা কহোঁ নামক সুমৰি ॥
যাহাৰ সুচন্দ নাম লোকে বখানই ।
বৈদ্যশাস্ত্র আদি বিদ্যা জানিয়া আছয় ॥
বিশেষত মহাবুদ্ধিমন্ত অতিশয় ।
ৰূপেগুণে খ্যাতিমন্ত জানিও নিশ্চয় ॥
আগম ঘৰৰ দ্বিজবৰ মহাশয় ।
দেবীদত্ত দেৱৰগঞা বৰুৱা যে কয় ॥
তাহাৰ ভগিনী জানা বিমাতা সন্ততি ।
দময়ন্তী নাম ৰূপেগুণে সিটো অতি ॥
সেহিটো কন্যাক বিহা কৰিয়া আছয় ।
নিবন্ধিলোঁ এহিমানে তাৰ পৰিচয় ॥
তাহাৰ কনিষ্ঠা সহোদৰা বিটো কন্যা ।
হেমকান্তি নাম যাৰ জানিবাহা ধন্যা ॥
হেমকণ্ঠ নাম দ্বিজে কতকাল ছিলা ।
স্বামীৰ অগ্রতে মৰি বিষ্ণুলোকে গৈলা ॥
মোৰ অগ্রজৰ সন্তানৰ কথাচয় ।
সাৰশেষে বিবৰিয়া কহিলোঁ নিশ্চয় ॥

তাহান অনুজা দুইবো প্ৰবন্ধিবোঁ আৰে ।
ৰূপহী চেনেহী দেৱী নাম জানা তেবে ॥
পুণিয়াৰ সত্ৰে অধিকাৰ মহাশয় ।
লোকাই মহন্ত নাম সকলে কহয় ॥
ৰূপহী দেৱীক অতি পৰম সাদৰে ।
বিবাহ কৰিয়া নিলা সিটো শিষ্টবৰে ॥
নমোৰাম নাম পুত্ৰ অদ্যাপি আছয় ।
পুত্ৰী দুতয়ৰ নাম পৰ্ব্বী চন্দ্ৰী কয় ।
পৰ্ব্বীক নিলেক জগন্নাথ দুৱৰীয়া ।
পুত্ৰ হলিৰাম হৈল জানা বিচাৰিয়া ॥
মাহৰাৰ মহন্ত যে দ্বিজ মহাশয় ।
চন্দ্ৰীক বিবাহ কৰি কাল কতিপয় ॥
থাকিয়া তৈলন্ত মৃত্যু পুত্ৰী দুই চাৰি ।
মাতামহ গৃহে আছে মাতৃ সঙ্গকৰি ॥
এহিমানে সিসবক কহিলোঁ প্ৰচাৰি ।
মোৰ মাতৃ আখ্যানক কহিবোঁ বিস্তাৰি ॥
পৰাশৰ গোত্ৰ শ্ৰেষ্ঠ দ্বিজ শুদ্ধমতি ।
বনমালী দ্বিজ সুত জানিও সম্প্ৰতি ॥
বসুন্ধৰা দেৱী গৰ্ভে জনম লভিলা ।
দ্বিজশ্ৰেষ্ঠ কাশীনাথ যাৰ নাম থৈলা ॥
দেৱগ্ৰাম দেৱালৰৰ ঠাকুৰ প্ৰখ্যাত ।
পৰম পণ্ডিত শ্ৰেষ্ঠ মাক্ত বিখ্যাত ।

তান পত্নী কান্তা যে নামত ধন্যা দেবী।
মহাসুখে আছিলন্ত স্বামীদেৱে সেৱি।
তান গৰ্ভে কন্যা সাতজনী পুত্ৰ দুই।
শেষে জাতা গোমতী নামত দেবী আই॥
যাহাৰ গৰ্ভত জনমক পাইলোঁ মই।
যাৰ যশগুণ সব অদ্যাপি কহয়॥
মহাধৰ্ম্মশীলা বিষ্ণুভক্ত নিৰুপমা।
তাহান সদৃশ মই নেদেখোঁ উপমা॥
আষাঢ় মাসৰ শ্বেতপক্ষ দিবা শেষে।
একাদশী তিথি পায়া পৰম হৰিষে॥
স্বামী গুৰু ভক্ত বিপ্ৰগণ বিদ্যমান।
প্ৰাণ ছাৰি বিষ্ণুলোকে কৰিলা প্ৰয়াণ।
তান পঞ্চকন্যা একমাত্ৰ সুত মই।
ভগিনী সবৰ কহোঁ আখ্যান এঠাই॥
দুৰ্ব্বা আৰু বিনাই কুন্দাই নামা সতী।
যোগেশ্বৰী বত্নী পঞ্চজনী যে প্ৰখ্যাতি॥
যিটো দুৰ্ব্বা দেবী অতি পৰম কুশলা।
স্বধৰ্ম্মনিৰত হৈয়া গুণে সুমঙ্গলা॥
নৱ ৰাজগুৰু ঘৰ বিষ্ণু বিবাহিয়া।
অচিৰ কালত গৈলা প্ৰাণক ছাৰিয়া॥
তদৱধি আমাৰ ঘৰত থাকি আতি।
গুৰুৰ কৃপাত কৰি হৰিত ভকতি॥

বিয়া ধৰ্ম্মত আতি আশ্ৰয়ক কৰি।
বিষ্ণু পাদোদকে স্নানি পুৰুষ উদ্ধাৰি ॥
মহাক্ষেত্ৰ স্থান সত্ৰ সমস্তকে সেবি।
পুৰুষউত্তম ক্ষেত্ৰে গৈয়া সিটো দেবী ॥
পঞ্চতীৰ্থ কৰি কৃষ্ণমুখক দেখিলা।
কৰ্ম্মবন্ধ ত্যাগি হৰিভক্তিক লভিলা ॥
মহাশাস্ত্ৰ শিষ্টসব সেবিয়া বহুত।
পিতৃদেৱ চৰণত ভুৰি যথোচিত ॥
পৰম কৃপালু গুৰু সেবাৰ বলত।
অগ্ৰায়ণ মাসে কৃষ্ণ ষষ্ঠী উপগত।
ৰামনাম জপি ভক্ত জ্ঞাতিৰ অগ্ৰত।
প্ৰাণ চাৰি বিষ্ণুলোকে ভৈলা উপগত ॥
তাহাৰ অনুজা বিনাই দেবী মহাসতী।
গঙ্গাৰাম দ্বিজে তাঙ্ক বিবাহিলা আতি ॥
বাসুদেৱ নাম বৰ পূজাৰি বিখ্যাত।
তানসুত তাহাকেসে জানিবা প্ৰখ্যাত ॥
পতিপুত্ৰ সমস্থিতে মৃত্যু হৈয়া গৈলা।
সংসাৰ মধ্যত কিছু জঞ্জাল নহৈলা ॥
যিটো কুন্দাই দেবী মহাৰূপেগুণে খ্যাতি।
স্বধৰ্ম্ম আশ্ৰয় কৰি আছয় সম্প্ৰতি ॥
কাকতীয়া ঘৰৰ যে দ্বিজ মহাশয়।
আঠগঞা হাজাৰি বৰতামুলী কয় ॥

PLEASE HANDLE THE BOOK CAREFULLY.

তাহান মধ্যম পুত্র গঙ্গাধৰ নাম।
গুণগনে নিপুণ বিনীত অনুপাম ॥
তেহোঁ বিবাহিয়া মহা সুখ ভোগ ভুঞ্জি।
বিষ্ণুলোকে আৰোহিলা শেষে প্ৰাণ ত্যজি ॥
তাহান সন্ততি সব যি আছিল হৈয়া।
ঈশ্বৰ ইচ্ছায়ে গৈল সমস্ত মৰিয়া ॥
সেহি হেতু সিটো দেবী পৰম যতনে।
আমাৰ সঙ্গত আছে হৰি ভাবি মনে ॥
তান সহোদৰা যিটো যোগেশ্বৰী সতী।
চন্দৰ কটকিৰ পৌত্র বসুদেৱ আতি ॥
বিবাহিয়া তেহো পুত্র পুত্রী প্রভৱাইলা।
পুত্র সনে মৰি গুৰু সঙ্গক লভিলা ॥
দুতয় দুহিতৃ জানা অদ্যাপি আছয়।
দুর্লভী যে লম্বোদৰী যাৰ নাম কয় ॥
মহা শুদ্ধমতি নাৰায়ণ ধৰা সুত।
দেৱনাথ দ্বিজ নাম তাহান বিদিত।
তাহাৰ আত্মজ হেমকণ্ঠ মহামতি।
দুর্লভীক বিবাহিয়া আছয় সম্প্রতি ॥
কনিষ্ঠা জানাহা লম্বোদৰী নাম হয়।
কৃষ্ণনাথ দ্বিজে বিহা কৰিয়া আছয় ॥
সিটো কৃষ্ণনাথৰ জনক মহাশয়।
লোকনাথ পণ্ডিত বিখ্যাত অতিশয় ॥

মোৰ বৰ্ত্তী ভগিনীক বিহা কৰিলন্ত।
মহাধৰ দ্বিজবৰ তামুলী সুশান্ত ॥
তাহাকো জানিবা গঙ্গাধৰৰ অগ্ৰজ।
কাকতীয়া ঘৰৰ যে কহয় সহজ ॥
পতি পত্নী সকলোৰে কাল হৈয়া গৈল।
সন্তানাদি কিছু ইঠাইত নৰহিল ॥
এহিমানে ভগিনী সবৰ কথা এৰি।
মাতুল সবৰ কহোঁ নামাদি উচ্চাৰি।
মাতামহ পুত্ৰ দুই কন্যা সপ্তজনা।
পৰম নিপুণ তান গুণগুণ শুনা ॥
জ্যেষ্ঠ ভূমিধৰ ছোট কমলনয়ন।
পৰম ধাৰ্ম্মিক আৰু ছিল মহাগুণ ॥
কনিষ্ঠৰ দৌহিতৃ ভগনী নানা সতী।
বঙ্গনাথ দেৱালৰ ঠাকুৰ তহিতি ॥
মায়াৰাম দ্বিজে তাক বিবাহিলা পাছে।
পুত্ৰ পুত্ৰী দুইজন সম্প্ৰতি হৈয়াছে ॥
জ্যেষ্ঠ মাতুলৰ পুত্ৰ তীৰ্থেশ্বৰ নাম।
পৰম ধাৰ্ম্মিক দ্বিজ জানিবা সুঠাম ॥
ওপৰে লেখিছো তান ভগিনীৰ পতি।
মায়াৰাম দ্বিজবেসে বংশ মহামতি ॥
নিধিৰাম দ্বিজৰ সন্ততি মহাধন্যা।
বিবাহ কৰিলা ৰামেশ্বৰী নামা কন্যা ॥

পুত্ৰ এক হৈয়া সুখে আছয় সম্প্ৰতি।
জেঠাই সবৰ কথা কহিবোঁ অহিতি ॥
বিশেষত সবাৰ অগ্ৰজ মহাসতী
সুলোচনা নাম তেহোঁ আছয় সম্প্ৰতি ॥
শিতলৰ উপাধ্যায় দ্বিজ মহাশয়।
কামদেৱ উপাধ্যায় যাক নাম কয় ॥
তেহোঁ বিবাহিয়া চাৰি পুত্ৰ উপাৰ্জ্জিলা।
দুতয় আছয় দুইজন মৰি গৈলা ॥
জ্যেষ্ঠজন যোগদেৱ নাম উপাধ্যায়।
বিশেষ পণ্ডিত জানা সৰ্ব্বজনে কয় ॥
তান সুত কথা পূৰ্ব্বে আছোঁহোঁ কহিয়া।
পুত্ৰ দুইৰ বিৱৰণ কহিবোঁ দেখিয়া ॥
ধৰ্ম্মী পতিহীনা হৈয়া আছয় সম্প্ৰতি।
গৌৰাঙ্গ মহন্ত স্থানে পৰিলন্ত বস্তী ॥
সিটো উপাধ্যায় অতিমাত্ৰক সাদৰী।
ভ্ৰাতৃ ভৱনাথ সমে আছে প্ৰীতি কৰি ॥
এই বৰ জেঠাইৰ কহিলোঁ প্ৰকাশি।
আৰৰ সবৰ সবাক্কে গৈল নাশি ॥
কিন্তু যে দুলালী নাম জেঠাই সুশীলা।
মায়াৰাম বৰুৱায়ে বিবাহ কৰিলা ॥
তাত হন্তে বামী যে ভগনী কন্যা ভৈলা।
ভগনীক ৰাম কটকিয়ে বিবাহিলা ॥

আৰে মই মতিহীন অনাথৰ কথা ।
যথাৰূপে নিবন্ধন কৰিবোঁহোঁ ইথা ॥
চতুৰ্থ বৰ্ষত মোৰ অভাগাৰ বশে ।
মাতৃপৰলোক গৈল কালৰ বিপক্ষে ॥
দুৰ্ব্বানাম মোহোৰ ভগিনী যিটো সতী ।
আৰু অগ্ৰজৰ পত্নী দেবী মহামতি ॥
তাহাৰাৰ প্ৰতিপালে ক্ৰমে বৰ হৈলোঁ ।
যথামতি শাস্ত্ৰসব কিঞ্চিত পঢ়িলোঁ ॥
ঊনবিংশ বৰ্ষে পিতৃদেৱৰ শাক্ষাত ।
জ্যেষ্ঠৰ উদ্যোগে মই ভৈলোঁ বিবাহিত ॥
সিটো বৰ্ষে পিতৃ বিষ্ণুলোকে গৈল মৰি ।
গৃহ এৰি গৈলোঁ কাজি-বৃত্তিক বিচাৰি ॥
মহাৰাজ পুৰন্দৰ সিংহ নৃপমণি ।
ঈশ্বৰ ইচ্ছায়ে পাইলে ইটো ৰাজ্যখিনি ॥
পঙ্কতীৰ্থ মধ্যে তাঙ্ক সাক্ষাত কৰন্তে ।
তাহান প্ৰসন্ন দৃষ্টি মোত পৰিলন্ত ॥
মোৰ ইষ্টদেৱ গুৰু প্ৰসাদত ভৈতি ।
বেজৰ বৰুৱা মোক সিটো স্থানে পাতি ॥
সঙ্গে আনি ৰব সমাদৰত ৰাখিয়া ।
মান্ত যশ বিভূতিক দিলে সমাৰ্পিয়া ॥
বিশেষত মোৰ জ্যেষ্ঠ, মই ব্যতিৰেকে ।
কাহাৰো ঔষধ ৰাজা নাখায় সম্যকে ॥

তাহান কৃপাত তান দৰ্ব্বাৰত ৰই ।
ফৌজদাৰী চিৰস্তাৰ অধিপতি হই ॥
থাকন্তে ৰাজ্যৰচ্যুত ভৈলেক ৰাজাৰ ।
কোম্পানীৰ হস্তগত জানিবা সুসাৰ ॥
দেৱানীৰ বিচাৰক স্থানে আনি মোক ।
মহাফেজ নাম দিয়া ৰাখিলা প্ৰত্যক্ষ ॥
ৰবটী নামত যিটো চাহাব প্ৰধান ।
তেহোঁ ভৈল ভাৰাক্ৰান্ত ইটো পায়াস্থান ॥
তৃতয় বৎসৰ থাকি তাহাৰ আশ্ৰয় ।
তেবে ইটো চিৰস্তাৰ চিৰস্দাৰী পাই ॥
কৃষ্ণ ভৃত্যসৱৰ চৰণ প্ৰসাদত ।
ঈশ্বৰ প্ৰদত্ত সুখে থাকি আনন্দত ॥
গোত্ৰ মধ্যে শ্ৰেষ্ঠ বৃদ্ধ সৱক সাদৰি ।
যথামতি নিবন্ধিলোঁ ইটো যত্ন কৰি ॥
যিহেতু ভৈলোঁহোঁ মই অতি বুদ্ধিহীন ।
অন্যকো নেদেখোঁ মনে কেহোঁ ৰাখে চিন ॥
কি জানি ইমত ছন্দে ৰাখিলে যতনে ।
গোত্ৰৰ বালকগণে ৰাখে পঢ়ি মনে ॥
যদিবা নপঢ়ে কেহোঁ অকৰ্ম্মণা বুলি ।
তথাপিতো পুথি হৈয়া থাকিব সমূলী ॥
সময়ত অশৌচাদি সম্বন্ধৰ কালে ।
কাৰ্য্যাৰ্থী সৱক লাগিবেক অবিকলে ॥

আৰু কৃষ্ণনাম মিশ্ৰ সন্ত সব কথা।
ইহাত আছয় কিছু নাহিক অন্যথা ॥
সিসব শ্ৰবণে পুণ্য আছয় নিশ্চয়।
ইহাকে শুনিলে ভাগ্য হৈবেক উদয় ॥
কিন্তু মই পৰ্য্যন্ত সে হৈয়াছে ব্যাখ্যানি।
মোৰ ভাৰ্য্যা পুত্ৰাদিৰ কহিবোঁ ঐসানি ॥
যাহাক লভিছোঁ গুৰু চৰণ প্ৰসাদে।
আবে কহোঁ তাহাৰৰ কথাক আহ্লাদে ॥
গঙ্গাধৰ নামে সভাপণ্ডিত প্ৰধান।
দানী মানী বৈষ্ণৱ যে বিদ্যাত নিপুণ।
তাহান তনয় লোকনাথ দ্বিজবৰ।
পৰম পণ্ডিত লোকে জানয় প্ৰচুৰ।
তাহান প্ৰথম পুত্ৰী ধৰ্ম্মী নামা সতী।
ঈশ্বৰ ইচ্ছায়ে বিবাহিলোঁ মই অতি ॥
গুৰু বিপ্ৰ বৈষ্ণৱৰ আশীৰ্ব্বাদে আতি।
তিনি পুত্ৰ তিনি কন্যা হৈয়াছে সন্ততি ॥
প্ৰথম পুত্ৰৰ আবে জানিবা সুসাৰ।
শ্ৰীমান নিত্যানন্দ নাম ভৈল তাৰ ॥
মধ্যমৰ দুৰ্গানাথ নাম নিৰুপম।
অপৰ প্ৰখ্যাত ভৈল জগন্নাথ নাম ॥
প্ৰথম তনয়া হেমকান্তি নামা অতি।
দ্বিতীয়াৰ ছায়াৱতী ভৈলন্ত প্ৰখ্যাতি ॥

তৃতীয়াৰ হৈল নাম বসুদা নিশ্চয় ।
দ্বিতীয় বিবাহ মোৰ দিবোঁ পৰিচয় ॥
অনন্তকন্দলি ঘৰে যাৰ জন্ম হৈল ।
তনু বৰপূজাৰি তাহাৰ নাম কৈল ॥
পৰম বিশিষ্ট বিপ্ৰ গুণে অতিশয় ।
তান সুতা ঠানেশ্বৰী বিবাহিলোঁ মই ॥
হৈল সমাপতি ইটো বিৰৰণ কথা ।
শ্ৰুত আৰু জ্ঞাতৰূপে ৰচিলোঁ যেহোঁ এথা ॥
আৰু শেষ কথা নিবন্ধন কৰোঁ অতি ।
শ্ৰৱণ ইচ্ছুক সবে শুনিয়ো সম্প্ৰতি ॥
জয়হৰি বৰুৱাৰ সন্তান নিচয় ।
যেন মতে ক্ৰম বৃদ্ধি হৈয়াছে নিশ্চয় ॥
আবে বিৰৰিয়া কহোঁ এহিমত পদ ।
ৰাম হৰি বুলি তৰা ছাৰিব আপদ ॥

অনন্তৰে শুনিয়োক, জয়হৰি বৰুৱা কীৰ্ত্তি,
শিষ্টসবে কহয় যাহাক ।
তাহান নিমিত্ত কৰি মহাভাগৱতী ধৰ্ম্ম
পাইলা গোত্ৰে যত শিষ্ট লোক ॥
সিটো বৰুৱাৰ পুত্ৰ হৈল নৱজন আতি
মহাধৰ্ম্মশীল গুণবান ।

সিসবৰ প্ৰতিজনে নয় নয় পুত্ৰ হৈল
ৰূপেগুণে অতি খ্যাতিমান ॥
ন বৰুৱা আদি কবি অষ্টম জনৰ আতি
সন্তানাদি কিছু নৰহিল ।
গোবিন্দ নামত যিটো কনিষ্ঠ সবাৰে সিটো
তান সাত সন্তান থাকিল ।
গোপীনাথ নাম আৰ বাঁহফলা জানা সাৰ
জোলখোৱা ডেকা যে প্ৰধান ।
শিঙিয়নিয়া সে জানা চন্দ্ৰগঞা নাম শুনা
আকজন দুখীয়া নিপুণ ॥
সৰ্ব্বশেষ দ্বিজবৰ কমলাবৰীয়া সাৰ
মহাশান্ত পৰম ধাৰ্ম্মিক ।
সিসব সন্তান ক্ৰমে কহোঁ আতি মনোৰম
শুনি তুষ্টি মিলোক অধিক ॥

গোপীনাথ ডেকাবেসে পুত্ৰ মহামতি ।
পৰম বৈষ্ণৱ গুণগণে হৈল খ্যাতি ॥
তাহান তনয় যিটো সিজন বিশিষ্ট ।
তান পুত্ৰ অতি নাম হৈল অতি শিষ্ট ॥
সত্ৰ যে কমলাবাৰী মুকুতিদায়ক ।
বিশিষ্টৰ মধ্যে নাহি তাহান সমক ॥

মহাব্ৰহ্মনিষ্ঠ সাধু যাহাত হৰিবিষি।
হৰিক উপাসি থাকে ভক্তিক প্ৰকাশি ॥
সিটো স্থানে ছোট হন্তে থাকি আতিশয়।
গুণ শিকিবাৰ বাকী নৰহিল ভয় ॥
মহা অগ্ৰগণ্য সাধু ভৈলন্ত বিশিষ্ট।
সৰ্ব্বলোকে কহে গুণগণ যে গৰীষ্ঠ ॥
অতি যে গায়ন নাম ভৈলন্ত প্ৰখ্যাতি।
প্ৰাণ ছাৰি লভিলন্ত গুৰুৰ সঙ্গতি ॥
বাহফলা ডেকাৰ পুত্ৰ ভৰাই পৰমানন্দ।
ভৰাই পুত্ৰ পেলন উপাধ্যায় যে অখণ্ড ॥
তান তিন পুত্ৰ হৈয়া আছয় সম্প্ৰতি।
ভুবন যে ভৱনাথ সকৰাম আতি ॥
যিটো সকৰাম মহাকাৰ্য্যাত কুশল।
গুৰু ভক্ত সঙ্গে দেউৰি হৈয়াছে বিপুল ॥
পৰমানন্দৰ পুত্ৰ আপইতা হৃদিয়া।
হৃদিয়াৰ কোনো সন্তানাদি নাইকিয়া ॥
আপইতা ডেকাৰ ভৈল পুত্ৰ তিনি গুটি।
বাঙ্গা ত্ৰাহিৰাম দুই আছয় সম্প্ৰতি ॥
আৰে জোলখোৱা ডেকা কথাক উচ্চৰি।
কহিবোঁ সংক্ষেপে মই গ্ৰন্থৰূপে স্মৰি ॥
সিটো শ্ৰেষ্ঠজন পুত্ৰ জানহো পঞ্চম।
হৰিকান্ত ৰাম ৰূপাই কৃষ্ণ শিৱৰাম ॥

যিটো হৰি নাম কয় শিষ্ট মহাশুদ্ধ ।
কমলাবাৰী স্থানে ভক্ত ভৈলন্ত প্ৰসিদ্ধ ।।
সদায় ব্ৰহ্মত পৰে নজানিল আন ।
ঠান সত্ৰ প্ৰতিপালি পালা বহুমান ।।
বৰবহা নাম যাক লয়ে সাধু সন্ত ।
তাত থাকি বৰবহা আতই ভৈলন্ত ।।
তাহান যশক আৰ কহন নযায় ।
যাৰ যশ গুণ সন্ত সবেয়ো কহয় ।।
আমাৰ বংশত তেহোঁ জানা পদ্মফুল ।
মহামন্ত্ৰী বুঢ়াগোহাঁই দেখিয়া বিপুল ।।
তেহোঁ উপহাৰ দিলা আসনক আনি ।
শ্বেত কম্বলক নাম যাহাক বখানি ।।
তেহোঁ পুত্ৰৰতে লৈলা পৰম সুন্দৰ ।
ভ্ৰাতৃ কপাইৰ পৌত্ৰ পুত্ৰ শ্ৰীনাথৰ ।।
নিৰাময় নাম সৰ্ব্বগুণত বিপুল ।
মহাশান্ত সাধু অতি ভক্তিত কুশল ।।
ঈশ্বৰ ইচ্ছায়ে তান কাল হৈয়া গৈলা ।
নিজগুৰু সঙ্গ পায়া আনন্দে ৰহিলা ।।
যাহাৰ গুণক ভক্ত সকলে উচ্চৰি ।
সময়ত অদ্যাপিও কহে খেদ্ কৰি ।।
শিৱৰাম ডেকাৰ সন্তান কেহোঁ নাই ।
কৃষ্ণসুত জানা মধু গায়ন আছই ।।

মহাশুদ্ধমতি আছে উদাস আচাৰি ।
গুৰু স্থানে মহাসাধু সবক সাদৰি ॥
কৃপাই পুত্ৰ শ্ৰীনাথৰ সহোদৰ দুই ।
পুত্ৰ পুত্ৰী সমন্বিতে গৈল কাল হুই ॥
কান্তিৰাম ডেকাবেসে সুত মহাশয় ।
নোমল জবা-বেজ নেওগ অদ্যাপি আছয় ॥
বিষ্ণুভক্ত পৰম গুণত নিৰুপম ।
বৈদ্যবিদ্যা সমস্তক জানয় পৰম ॥
তান এক ভগিনী পৰম গুণৱতী ।
গলকটা ভাগৱতী দ্বিজে বিবাহিলা তৈতি ॥
সিটো দ্বিজবৰ মহাকাৰ্য্যত কুশল ।
পৰম পণ্ডিত বিষ্ণু বৈষ্ণৱ নিপুণ ॥
কমলাবাৰী সত্ৰে যাক ভাগৱতী কয় ।
তান গুণ যশক সমস্ত বখানয় ॥
তান বীৰ্য্যে সিটো কন্যাহস্তে পুত্ৰ ভৈলা ।
তুৰাৰাম ত্ৰাহিৰাম বাপুৰাম বৈলা ।
আৰু দেৱৰাম নামে আছয় পৰম ।
সত্ৰমধ্যে বৰদেউৰি কৰ্ম্ম পাইয়া নাম ॥
সিঙ্গিমৰীয়া ককাবেসে পৌত্ৰ মহাশয় ।
তেকুৰি নামত শুদ্ধমতি যাক কয় ॥
তানসুত তনুৰাম নাম শুদ্ধমতি ।
পৰম বৈষ্ণৱ ভক্ত হৈয়াছে সম্প্ৰতি ॥

গুৰুঘৰে বাস কৰে মহাসাধু সঙ্গে ।
কৃষ্ণৰ ভক্তিক কৰি আছে মহাৰঙ্গে ॥
কমলাবৰীয়া ডেকা মহাশ্ৰেষ্ঠ জন ।
পুত্ৰ ভৈলা বৰীয়া নামত অথগুন ॥
তান দুইপুত্ৰ ভৈলা বৈষ্ণৱ পৰম ।
সৰুহৰি আৰু ৰূপাই কহে যাৰ নাম ॥
বিশেষত সিটো দুই সৰুকাল হন্তে ।
গুৰু সঙ্গে ভক্ত হৈয়া আনন্দে থাকন্তে ॥
নানা যশ গুণ অতি ভৈগন্ত বিস্তৰ ।
সাধু মধ্যে গণি যাক পৰম প্ৰচুৰ ॥
যিটো ৰূপাই আতৈ মহাবিজ্ঞ সাধুজন ।
কমলাবাৰীত ভৈল ভাগুৰি প্ৰধান ॥
পৰম প্ৰাৰম্ভে আছিলন্ত চিৰকাল ।
মহাক্তশাবান জানা কাৰ্য্যাত বিশাল ॥
এহিমানে ইসব কথাক পৰিহৰি ।
অসু বৰুৱাৰ কহো সন্তান সুমৰি ॥
তান যশ খ্যাতি আছৈ অদ্যাপি প্ৰকাশি ।
শ্ৰেষ্ঠজনে কহয় যাহাৰ যশৰাশি ॥
যাহাৰ সন্তান হৈয়া ভৈলন্ত কুশল ।
পৰম ভাগ্যত আতি জানিবা প্ৰতুল ॥
তাহাৰাৰ কহো নাম যশ কৰ্ম্ম খ্যাতি ।
সংক্ষেপত নিবন্ধিলোঁ পদছন্দে আতি ॥

ঘিমন্তে ভৈলেক গোত্ৰসবৰ প্ৰচাৰ ।
শেষ আছে যিতো তাক কহিবোঁহো আৰ ॥
ভৈলন্ত নৱম পুত্ৰ অমুৰকৱাৰ ।
প্ৰতিজনে নৱ নৱ সুত ভৈল তাৰ ॥
কালক্ৰমে জানা সি সি অষ্টম জনৰ ।
সন্তান বিনাশ ভৈল নৰহিল আৰ ॥
সি সবৰ কনিষ্ঠ ৰামচৰণ প্ৰখ্যাত ।
প্ৰভৱাইল নৱ পুত্ৰ শুনা নাম আত ॥
হৰিদেৱ হৰিপদ ভগী অনি আৰ ।
সৰাইঘটীয়া ৰামদাস কেশ সাৰ ॥
মনপুৰ কমলা নামত জানা আতি ।
সন্তানাদি বৃদ্ধি ক্ৰমে কহিবোঁ সম্প্ৰতি ॥
হৰিদেৱ পুত্ৰৰ যে সুত দুইজন ।
কেনাই বিকাই নাম পৰম শোভন ॥
বিকাইৰ সুত ছিল ঘিণলগা নাম ।
প্ৰাণ পৰিহৰি গৈল বিষ্ণুবেসে ধাম ॥
সৰাইঘটীয়া সুত কৃষ্ণ নাম কয় ।
তান সুত কবিৰাজ জানিবা নিশ্চয় ॥
তানহন্তে পুত্ৰ দুই হৈয়াছিল আতি ।
কন মধু নাম দ্বিজ বৰ শুদ্ধমতি ॥
পৰম সুন্দৰ গুণ আছিল বিস্তৰ ।
প্ৰাণ ছাৰি পাইলা ধাম দেৱতা কৃষ্ণৰ ॥

মনপুৰ ডেকা পুত্ৰ বিকাই পেলন ।
পেলন সন্তান বেথাই ছিল গুণগণ ॥
বিকাই ডেকাৰহন্তে ভৈল মনু নাম ।
ৰূপেগুণে সুশোভন ধাৰ্ম্মিক পৰম ॥
যিটো কেশ ডেকা আতি নিপুণ পৰম ।
পুত্ৰেক ভৈলেক শ্ৰেষ্ঠ নাম বলোৰাম ॥
তাহাৰ তনয় শাম্ব গৌৰি শম্ভু আৰ ।
সঞ্জয় প্ৰখ্যাত জুৰাই বৰুৱা সুসাৰ ॥
বাপু ডেকা সুত শিৱাই লোকাই ৰঘুনাথ ।
ৰূপেগুণে সুশোভন পৰম প্ৰখ্যাত ॥
আৰু দয়াৰাম নাম পৰম ধাৰ্ম্মিক ।
গুৰুঘৰে আছে ভক্ত হৈয়া অতিৰেক ॥
প্ৰসিদ্ধ বৈষ্ণৱ লোকে সাদৰিয়া আতি ॥
তাহাৰ মধ্যাত দেউৰি কৰ্ম্মে থৈলা তৈতি ॥
শিৱাইৰ পুত্ৰ দুই জন্মিয়া আছন্ত ।
মহৰা স্থানত তাৰা বাস কৰিছন্ত ॥
গৌৰিবেসে তনয় চতুৰ্থ জাত ভৈলা ।
লক্ষ্মী অনু সিন্ধু ঘনশ্যাম নাম থৈলা ॥
তান মধ্যে অনুৰাম ভৈলন্ত প্ৰধান ।
মহাসাধু হৈয়াছিল কাল বৰ্ত্তমান ॥
গুৰুস্থানে সত্ৰ মধ্যে পৰম যতনে ।
বৰবহা আছে হৈয়া বহিছিলা থানে ॥

পৰম বিশিষ্ট সাধু সঙ্গে থাকি আতি।
নিজগুৰু সঙ্গ পাইলা প্ৰাণ ছাৰি তৈতি॥
তাহান অনুজ সিন্ধু নামত আছয়।
তেৱোঁ মহা বিশিষ্ট গুণত অতিশয়॥
সিটো বৰবহা মধ্যে আছন্ত সম্প্ৰতি।
বিষ্ণু বৈষ্ণৱক সেৱি নিজ ধৰ্ম্মে তৈতি॥
সঞ্জয় ডেকাৰ আৰে কহোঁ পৰিচয়।
দুই পুত্ৰ হৈয়া গৈল যমৰ আলয়॥
পূৰ্ণ আৰু শিৱৰাম তাহাৰাক কয়।
তাৰ মাতৃ দুখ ভুগি অদ্যাপি আছয়॥
সঞ্জয়ৰ নাহি বৈল সন্তান ইহাত।
জুৰাই বৰুৱাৰ কথা কহিবোঁহোঁ আত॥
গাভৰুমেলৰ হৈয়া বৰুৱা প্ৰধান।
গুণগণ নিপুণ কাৰ্য্যত অখণ্ডন॥
বৈদ্য কৰ্ম্মে প্ৰবীন থাকিয়া সুখে আতি।
ৰাজ দৰ্ব্বাৰত পাইলা প্ৰধান সুখ্যাতি॥
তান এক পুত্ৰ তিনি কন্যা জন্ম ভৈলা।
পিতৃতুল্য সুখিয়াতি পুত্ৰয়ো থাপিলা॥
গাভৰুমেলীয়া হৈয়া বৰুৱা প্ৰধান।
ৰামনাম বৈলা সবে কহে গুণগণ॥
আয়ুৰ্ব্বেদ বিদ্যা যত জানিছিলা মানে।
তাহাৰ প্ৰতাপে গুণ স্থাপিলা যতনে॥

তাহাৰ সম্মত আছে আমাৰ ওপৰে ।
এইপদ নিবন্ধন কৰোঁ সেই তৰে ॥
তান দুই ভাৰ্য্যা আছি পৰম শোভনা ।
প্ৰথমৰ বিবাহিতা মিজাই নাম জানা ॥
জালভাৰী ফুকন যাক ওপৰে লেখিলোঁ ।
তান সুতা ভাগ্যৱতী জানিবা কহিলোঁ ॥
সিটো দেৱী গৰ্ভে তিনিজন ভৈল পুত্ৰ ।
হেমকণ্ঠ দুৰ্গেশ্বৰ মহেশ্বৰ তত্ৰ ॥
দুৰ্গেশ্বৰ নাম যিটো গুণগণে সাৰ ।
চাকৰিৰ মধ্যে পাইল বিষয় নাজিৰ ॥
মহেশ্বৰ নাম বাপুৰুৱা কহয় ।
তাৰ পুত্ৰী বিবাহিলা জানিবা নিশ্চয় ॥
নামত কমলেশ্বৰ হৈয়াছে সন্ততি ।
তায় দুই ভ্ৰাতৃৰ শুনিও কথা ঐতি ॥
মধ্যজন হেমকণ্ঠ কাৰ্য্যত কুশল ।
তম্বুৰৰ পূজাৰিৰ সুতা বিবাহিল ॥
অপৰ্ণা নামত আছি পৰম সুন্দৰী ।
সুখত আনন্দে আছে স্বামী সেৱা কৰি ॥
পৰম শোভন এক সন্তান ভৈলন্ত ।
দণ্ডীৰাম নামে সৰ্ব্ব লোকেও কহন্ত ॥
কনিষ্ঠ যিজন মহেশ্বৰ মহাশয় ।
তোৰোলা নাজিৰ কন্যা বিবাহি আছয় ॥

তাহাবাৰো হৈয়া আছে পুত্ৰ একগুটি ।
নামত মুকুন্দচন্দ্ৰ কহিলোঁ প্ৰকটি ॥
প্ৰথম ভাৰ্য্যাৰ এহিমানে সমাপতি ।
দ্বিতীয়ৰ আৰে কহোঁ নাম গ্ৰাম খ্যাতি ॥
বাৰণ দ্বিজৰ পুত্ৰী নামত পতানী ।
শেষে বিবাহিলা সিটো দ্বিজ মহামানী ॥
তান গৰ্ভে ভৈল মাত্ৰ কন্যা একগুটি ।
ৰূপেগুণে নিপুণ অম্বিকা নামে ভৈতি ॥
কৰতীগাৰ্ব্বৰ সত্ৰ অধিকাৰ হয় ।
বসুদেৱ নাম দ্বিজে বিবাহি আছয় ॥
আৰে ৰাম বৰুৱাৰ ভগিনীৰ কথা ।
শ্ৰুত অনুসাৰে তাক কহিবোঁহোঁ এথা ॥
মধ্যম সোদৰী যিটো চন্দ্ৰা মহাসতী ।
ৰূপে গুণে সুবিনয় জানিবাহা ঐতি ॥
অনন্ত কন্দলি ঘৰে জন্ম মহাশয় ।
পৰ্ব্বতীয়া বৰুৱা যে সূৰ্য্য নাম কয় ॥
তাহাৰেসে বৈবাহিক সিটো চন্দ্ৰাসতী ।
পঞ্চপুত্ৰ এক কন্যা হৈয়াছিল ভৈতি ॥
সিটো কন্যা চাপকটা মহন্তক দিলা ।
শশধৰ নাম পুত্ৰ প্ৰভৱি ৰহিলা ॥
যিটো পঞ্চ পুত্ৰ ভৈল পৰম সুনয় ।
বাপুৰাম ৰুদ্ৰ কৃষ্ণকান্ত মহাশয় ॥

শুভ আৰু হৰিকান্ত নাম কৈলোঁ তাৰ ।
বাপুৰাম শুভ দুয়ো মৰিল সুসাৰ ॥
বিশেষত পৰম বিনীত গুণময় ।
ৰুদ্ৰকান্ত নাম বুলি যাহাক কহয় ॥
শিৱকান্ত নামে আছে তাহাৰ তনয় ।
ৰূপে গুণে বুদ্ধিত নিপুণ অতিশয় ॥
গৌৰিসাগৰৰ বিটো ঠাকুৰ বিশেষ ।
দয়াল নামত শিষ্ট কহয় নিঃশেষ ॥
তান পুত্ৰ হলিৰাম গুণে অতিৰেক ।
শিৱকান্ত বিবাহিলা তনয়া প্ৰত্যক্ষ ॥
আৰে কৃষ্ণকান্তৰ কহিবোঁ পৰিচয় ।
ৰূপে গুণে ভাগ্যবান জানিবা নিশ্চয় ॥
টকৱা হৈলেন্ত কলীচেঙ যাক কয় ।
চাপকটা সত্ৰ কন্যা বিবাহি আছয় ॥
হই আছে দুই গুটি পুত্ৰ কন্যা এক ।
শিবাচাৰ্য্য ঘৰে টঙ্কেশ্বৰ নিলা তাক ॥
বিটো সৰ্ব্বশেষ হৰিকান্ত যাক কহি ।
মাতৃ ভ্ৰাতৃ সমে আছে অতি সুখে ৰহি ॥
পূজাৰৰ দেৱালয়ৰ বৰুৱা সন্ততি ।
বিবাহি আছন্ত সিটো জানিবা তহিতি ॥
আৰে বৰুৱাৰ সহোদৰী কনিষ্ঠৰ ।
নামসব কহোঁ জাতি কৰিয়া বিচাৰ ॥

শিৱ আচাৰ্য্যৰ ঘৰে শ্ৰীকান্ত সুমতি ।
সিকন্যাক বিবাহিয়া কৰিলা বসতি ॥
তাত হন্তে এক পুত্ৰী পুত্ৰ তিনি জন ।
বীৰকান্ত তাৰাকান্ত ভূকান্ত শোভন ॥
আছয় মাতৃৰ সঙ্গে যথোচিতে অতি ।
কন্যা উনাইৰ কহোঁ পৰিচয় ঐতি ॥
ওপৰে লেখিয়া আছোঁ যিটো মহামতি ।
ৰুদ্ৰেশ্বৰ নাম বৰঠাকুৰ সুমতি ॥
তাহাৰ অনুজ বাণীবান্দ মহাশয় ।
তেহোঁ বিবাহিল সিটো কন্যাক নিশ্চয় ॥
মধ্যম কনিষ্ঠ দুই কন্যাৰ কাহিনী ।
এহিমানে সমাপতি কৈলোঁ যিটো জানি ॥
ইদানিক তাহাৰাৰ অগ্ৰজৰ কথা ।
জ্ঞাতৰূপে বিৱৰণ কৰিবোঁহোঁ এথা ॥
নামত ৰূপহী ৰূপে গুণে মহাধন্যা ।
ৰুদ্ৰেশ্বৰ দ্বিজবৰে নিল সিটো কন্যা ॥
সিটো দ্বিজ পৰম সুমতি গুণবান ।
দেৱগ্ৰাম দেৱালয় ঠাকুৰ প্ৰধান ॥
তানহন্তে পঞ্চপুত্ৰ কন্যা আৰু তিনি ।
সাৰশেষে কহো নাম গ্ৰাম তিনি তিনি ॥
যিটো সিসি তনয় পৰম গুণবন্ত ।
যোগেশ্বৰ সিদ্ধেশ্বৰ ইন্দ্ৰ যে সুশান্ত ॥

শেষ আৰু সুমতি গোলোক সদাশয়।
গুণগণে নিপুণ বিনীত অতিশয়॥
কিন্তু বোধ ইন্দ্ৰ দুই পৰলোক হৈয়া।
কৰ্ম্ম অনুসাৰে স্থান পাই আছে গৈয়া॥
বিশেষত গোলোক সবাৰ মধ্যে আতি।
গুণৰূপ সুবিনয় জানিয়ো সম্প্ৰতি॥
দেৱৰাম জালভাৰী ফুকন সুমতি।
তান সুতা সুমঙ্গলা বিবাহিলা প্ৰীতি॥
মলোয়া বৰুৱা সিদ্ধেশ্বৰ যাক কয়।
তাহাৰ দুহিতৃ গুণৱতী অতিশয়॥
লৌহিত্যৰ দেৱালৰ ঠাকুৰ অশেষ।
ভোলানাথ চাৰিঙ্গীয়া ফুকন বিশেষ॥
তাৰ মধ্য পুত্ৰত বিবাহ দিয়া আছে।
পৰম সুখত আতি আছে গৃহবাসে॥
ৰাম বৰুৱাৰ আতি ছোট ভনীয়েক।
যাহা নামত অতিগুণে সুভাষিতা॥
কৈচোঙৰ ৰামভদ্ৰ মহন্তে বিহাইল।
গোপাল নামত পুত্ৰ মহাশ্ৰেষ্ঠ ভৈল॥
এহিমানে ইকথাক কৰি সমাপতি।
দ্বিজ দীননাথে ভনে স্মৰী যদুপতি॥

আত অনন্তৰে, কহিবোঁ কাহিনী,
আছে যিবা অৱশেষ।
প্ৰাণনাথ নাম, বকৰা পৰম,
তাহাৰ কাৰ্য্য বিশেষ ॥
আৰে সিজনৰ, বিবৰিয়া কহোঁ,
নাম গুণ সমস্তক।
প্ৰপিতা যে মহ, ৰামদাস নাম,
ছিল শিষ্ট অতিৰেক ॥
তান সুত এক, জানিবা প্ৰত্যক্ষ,
কৃষ্ণৰাম নাম হয়।
গুণত নিপুণ, কৰ্ম্মত প্ৰবীন,
লোকে যাৰ যশ কয় ॥
তাৰ সুত চাৰি, কহিবোঁ বিচাৰি,
গোবিন্দ আৰু গোপাল।
গৌৰিনাথ আৰ, জানিবা সুসাৰ,
পৰশুৰাম ধৰ্ম্মশীল ॥
তাহাবাৰ সুত, তিনি উপগত,
বিকাৰাম হলিৰায়।
প্ৰাণনাথ দ্বিজ কহোঁ তান বীৰ্য্য,
গুণগণ নিৰুপম ॥
বৈদ্য বিদ্যা সব জানয় প্ৰকৃষ্ট,
দানী মানী ধৰ্ম্মশীল।

ৰাজ দৰ্ব্বাৰত, পৰম যুগুত,
কৰ্ম্ম কাৰ্য্য পায়া বৈল ॥
বিবাহিলা কন্যা সতী দুইজনা,
গুণগণে নিৰুপমা।
যিটো বৰগুৰি, বৰগুৰি অতি
মহন্ত যাহাৰ নাম ॥
তান সুতা তয় নাম চন্দ্ৰী কয়,
আছে মহাসুখ ভোগে।
তান সুত দুই অতি শোভনয়,
ৰূপে গুণে মহাভাগ ॥
চন্দ্ৰনাথ শ্ৰেষ্ঠ, ৰূপত গৰীষ্ঠ,
ছোট লক্ষ্মীনাথ নাম।
তাহাবাৰ অগ্ৰে পাছত জানিবা
কন্যা দুই নিৰুপম ॥
প্ৰথম ভাৰ্য্যাৰ, পৰিচয় কৈলোঁ
এহিমানে পৰিহাৰ।
হাগলি কটায়া, মহাজন সুতা,
বিবাহিলা দ্বিতীবাৰ ॥
নামে দুৰ্গাবাই, অতি শুভনয়,
তান ভৈল কন্যা দুই।
জনে মুচমতি, দুলড়ি সম্প্ৰতি,
শুনি কৰা ভাগ্যোদয় ॥

জ্যেষ্ঠজন যিটো বিকাৰাম নাম সাৰ ।
সুখভোগে আছিলন্ত গুণ যে অপাৰ ॥
ফেটা অধ্যাপক সুতা বিষ্ণুমতী কন্যা ।
তাঙ্ক বিবাহিলা ৰূপে গুণে মহাধন্যা ॥
পুত্ৰ দুই হৈয়া তাত আছয় সম্প্ৰতি ।
কমলেশ্বৰ যে নাম জানিয়ো সুমতি ॥
অপৰ আছয় শুদ্ধমতি নাৰায়ণ ।
বিবৰিয়া কহিলোঁ হোঁ গুণ বিদ্যমান ॥
চন্দ্ৰ কটকিৰ সুতা গুণে মহাধন্যা ।
বিবাহিলা কমলেশ্বৰে সিটো কন্যা ॥
যিটো মধ্যজন হলিৰাম শুদ্ধমতি ।
সদকৰ্ম্মে আছিলন্ত ভ্ৰাতৃৰ সঙ্গতি ॥
ভকতধুলি খাওন্দৰ পীতাম্বৰ সুতা ।
হেমকান্তি কন্যা বিহাই উপাৰ্জ্জিলা পুত ॥
ঘনশ্যাম নাম আতি পৰম শোভন ।
মাতৃসমে আনন্দত আছয় এখন ॥
কিন্তু সিটো বৰুৱাৰ মধ্যে জ্যেষ্ঠজন ।
হলিৰাম বিকাৰাম কাৰ্য্যত নিপুণ ॥
মাতৃ ভ্ৰাতৃ আগে থাকি সদকৰ্ম্ম কৰি ।
লভিলা গুৰুৰ সঙ্গ প্ৰাণ পৰিহৰি ॥
এহিমানে ইটো কথা হৈল সমাপত ।
মৃদঙ্গীয়া কৈদৰ কথা কৰোঁ উপগত ॥

কলিমন ডেকা যিটো ৰূপে গুণে শিষ্ট ।
তাহান কথাক লোকে কহয় গৰীষ্ঠ ॥
কলিবৰ বৰুৱাৰ সঙ্গত আসিলা ।
কালবশে ইদেশত ইঠায়ে ৰহিলা ॥
কিন্তু তাহাবাৰ কাল হোৱাৰ পাছত ।
জাতি কিম্বা বংশ কিছু স্থিৰ নভৈলন্ত ॥
সিহেতু গোত্ৰৰ মধ্যে আমাসাৰ আতি ।
বংশ মানি থাকয় শিষ্টসব ভৈতি ॥
বিশেষত আমি সবে এক গোত্ৰ জানি ।
বংশক নিশ্চয় মনে থাকো সবে মানি ॥
সিটো কলিমন সুত নামে মৃদঙ্গীয়া ।
সপ্তম তনয় সুশোভন উপাৰ্জ্জিয়া ॥
সৰ্ব্বশ্ৰেষ্ঠ হৈল নাৰায়ণ শুদ্ধমতি ।
শেষ ছয় জনৰ নাপাইলোঁ নাম খ্যাতি ॥
কিন্তু সিসবৰ প্ৰতিজন মহাশয় ।
সাত সাত পুত্ৰ ততুল্য পৌত্ৰ হয় ॥
বিশেষত নাৰায়ণ পৌত্ৰ ধৰ্ম্মশীল ।
বলোৰাম ডেকা জানা কাৰ্য্যত কুশল ॥
তাৰহন্তে হৈল কান্তিৰাম ডেকাসাৰ ।
ধৰ্ম্মকৰ্ম্ম সবাত নিপুণ জানা তাৰ ॥
পুত্ৰ হৈল হৰিৰাম পৰম শোভন ।
ধৰ্ম্মৰ তনয় জানা অতি গুণবান ॥

সাধিৰাম নাম ধৰ্ম্ম কৰ্ম্মত নিৰত।
মাতৃসমে আনন্দত আছয় সাম্প্ৰত॥
বিশেষত তাৰ পুত্ৰ গুটি হৈয়া আতি।
দিনাই নামত আছে পৰম সুমতি॥
কিন্তু হৰিৰাম সুত মহাধৰ্ম্মশীল।
জ্ঞাতি ভক্ত মধ্যে মান্য ভকত বিপুল॥
পৰম সুখত থাকি ধৰ্ম্মক আচৰি।
নিজগুৰু সঙ্গ পাইলা প্ৰাণ পৰিহৰি॥
এহিমানে সৰ্ব্বকথা কৰি সমাপতি।
নিবন্ধিলোঁ পদছন্দে জানিয়ো ঐহিতি॥
যথাৰত ৰূপে শ্ৰেষ্ঠ আজ্ঞা কৰি সাৰ।
মই হীনমতি পদ কৰিলোঁ প্ৰচাৰ॥
আত বড় টুটা শুদ্ধাশুদ্ধ দোষ যত।
মোৰ মতি বুজি ক্ষমা কৰিয়ো সন্তত॥
কৃষ্ণ ভৃত্য সবৰ যে চৰণক ধৰি।
ইটো পদ বিৰচিলোঁ বোলা ৰাম হৰি॥

আৰম্ভ ১৭৬৬। ১৭৭১ শকৰ বৈশাখ মাসত
সমাপ্ত হল।

দ্বিতীয় ভাগ ।

(শ্ৰীনাথ বেজবৰুৱা প্ৰণীত ।)

কৃষ্ণ পাদপদ্ম দুই হৃদয়ত ধৰি ।
পিতৃ দীননাথ পদে নমস্কাৰ কৰি ॥
শেষ বংশাৱলী কথা সংগ্ৰহ কৰিয়া ।
মতি জ্ঞান অনুসৰি কহো বিৱৰিয়া ॥
পিতামহ কৃষ্ণৰাম বৈশ্য বৰুৱা ।
পৰম ধাৰ্ম্মিক জ্ঞানী শুদ্ধ মন হিয়া ॥
চন্দ্ৰাৱনী নামে কন্যা বিবাহ কৰিলা ।
এক পুত্ৰ দুই কন্যা সতী প্ৰসৱাইলা ॥
হৰিৰাম বৰুৱা পৰম গুণৱন্ত ।
বৈশ্যশ্ৰেষ্ঠ ধৰ্ম্মৱন্ত মহা খ্যাতিৱন্ত ॥
ৰূপহী চেনেহী দুই চন্দ্ৰায়নী সুতা ।
ৰূপেগুণে বিভূষিতা মহা আনন্দিতা ॥
স্বামী বিদ্যমানে চন্দ্ৰায়নী মহাসতী ।
হৰি স্মৰি কালে প্ৰাণ কৈলা সমাপতি ॥
শেষে পিতামহ বিহা কৰিলন্ত কন্যা ।
কাশীনাথ সুতা যে গোমতী মহাধন্যা ॥
পঞ্চকন্যা এক পুত্ৰ গৰ্ভত ধৰিলা ।
দুৰ্গী বিনাই কুন্তাই যোগেশ্বৰী বঙ্গী ভৈলা ॥

পুত্ৰ হৈল দীননাথ মোৰ পিতৃদেৱ ।
শ্ৰীমন্ত ধাৰ্ম্মিক সাধু কৰোঁ পদে সেৱ ॥
বেজৰ বৰুৱা পাতি ৰাজা সম্মানিলা ।
একষ্ট্ৰাএচিষ্টেণ্ট পদে অৱসৰ লৈলা ॥
পেঞ্চন ভুঞ্জিয়া ধৰ্ম্মচৰ্চ্চাক কৰিয়া ।
বিষ্ণুধামে উপগত প্ৰাণক ছাৰিয়া ॥
এবে পিতৃবংশ কথা কৰি নিৰূপণ ।
পিতৃ জ্যেষ্ঠ কথা পৰে কৰিবো বৰ্ণন ॥
ধৰ্ম্মী ধানেশ্বৰী দুই ঘৰিণী পিতৃৰ ।
বৰঘৈণী সৰুঘৈণী আখ্যা দুজনাৰ ॥
ধৰ্ম্মী প্ৰসৱাইলা ছয় পুত্ৰ কন্যা চাৰি ।
সপ্ত পুত্ৰ এক কন্যা গৰ্ভে ধানেশ্বৰী ॥
মহাসুখে পতিসেৱা ধৰ্ম্মীদেৱী কৰি ।
স্বামী বিদ্যমানে প্ৰাণ গৈলা পৰিহৰি ॥
ধৰ্ম্মীপুত্ৰ ব্ৰজনাথ আৰু জগন্নাথ ।
গোপাল গোলাপ জয়কৃষ্ণ বিষ্ণুনাথ ॥
হেমকান্তি ছায়াৱতী বসুদা তৃতীয়া ।
লীলাৱতী সমে চাৰি কন্যা আছে হৈয়া ॥
দৈচিন্তা বিশ্বধৰ পণ্ডিত প্ৰধান ।
সুত বিদ্যাধৰ বৰুৱা যে গুণবাণ ॥
তেওঁ বিবাহিলে হেমকান্তিক সাদৰে ।
পুত্ৰ হৈল লোকধৰ আৰু অজধৰ ॥

তিনি কন্যা হেমকান্তি সতী জনমাইলা ।
লক্ষ্মীপ্ৰিয়া শুভদা বৰদা নাম থৈলা ॥
ৰমেন্দ্ৰৰ বিশ্বেশ্বৰ পুত্ৰ লক্ষেশ্বৰ ।
প্ৰথমা বিহালে পত্নী গৈলা যমঘৰ ॥
ভূদেৱ নাম ৰতনপুৰীয়া মহন্ত ।
স্নেহকান্তি সুতা শুভদাক বিহাইলন্ত ॥
কতকাল স্বামীসঙ্গে শুভদা ৰহিলা ।
পুত্ৰ দুই ৰাখি শেষে প্ৰাণক ত্যজিলা ॥
শেষ কন্যা বৰদা সুন্দৰী নাম কয় ।
কাৰ্যাত কুশলা সুখে অদ্যাপি আছয় ॥
ডাহৰীয়া কীৰ্ত্তিনাথ খটীয়া ফুকন ।
পৰম বিশিষ্ট জ্ঞানীমানী শুদ্ধমন ॥
তাহাৰ তৃতীয় পুত্ৰ নাম কুলনাথ ।
পত্নীয়ন্তে বৰদাক বিবাহে সাক্ষাত ॥
উৰ্ব্বীধৰ নামে শিৱসাগৰী বৰুৱা ।
সৰ্ব্বশাস্ত্ৰ বিশাৰদ ধৰ্ম্মৰত হিয়া ॥
মহামহোপাধ্যায় যাহাক বুলি খ্যাত ।
তাৰ পুত্ৰ মহীধৰ বৰুৱা প্ৰখ্যাত ॥
দ্বিতীয় কন্যাক ছায়াদেৱীক বিহাইলা ।
পুত্ৰেক ৰাখিয়া মহীধৰ মৰি গৈলা ॥
বিধবা ধৰ্ম্মক ছায়াদেৱী আচৰিয়া ।
পুত্ৰ সোমধৰ সনে আছয় ৰহিয়া ॥

ডাঙৰীয়া কাশীনাথ তামুলী ফুকন ।
পৰম পণ্ডিত জ্ঞানী পবিত্ৰ সুজন ॥
আসাম-বুৰঞ্জী ৰচি বুদ্ধি পৰিচয় ।
তাৰ মধ্য পুত্ৰ মুক্তানাথ মহাশয় ॥
বিবাহিলা বসুদাক পৰম সাদৰে ।
ছয় পুত্ৰ এক কন্যা সতী গৰ্ভে ধৰে ॥
পদ্মনাথ দুৰ্গানাথ নামে সুতদ্বয় ।
সহোদৰা আৰু এক অদ্যাপি আছয় ॥
ভাবানাথ ফুকনৰ মুৰলী সোদৰ ।
বিবাহিয়া লীলাৱতী গৈলা যমঘৰ ॥
বিধবা ধৰ্ম্মক পালি পিতৃৰ গৃহত ।
কালে লীলাৱতী মৃত্যুমুখে উপগত ॥
ৰবৈণী কন্যা কথা কৰি সমাপন ।
এবে কহোঁ ভ্ৰাতৃসকলৰ বিবৰণ ॥
প্ৰথম তনয় ব্ৰজনাথ যাৰ নাম ।
ধৰ্ম্মশীল জ্ঞানী মানী শান্ত অনুপাম ॥
চিকিৎসা শাস্ত্ৰত সিটো পৰম নিপুণ ।
অদ্যাপিয়ো সৰ্ব্বজনে গায় যাৰ গুণ ॥
ৰাপুৰুৱাৰ কন্যা বিবাহে প্ৰথমে ।
নন্দনাথ নামে পুত্ৰ হৈল অনুক্ৰমে ॥
প্ৰথম ভাৰ্য্যাৰ প্ৰাণ বিয়োগৰ অন্তে ।
দ্বিতীয়া ভাৰ্য্যাক তেওঁ বিয়া কৰিলন্ত ॥

ৰসেন্দ্ৰ বংশৰ বিশ্বেশ্বৰ সুতা সতী।
বিশ্বেশ্বৰী বিবাহিলা ব্ৰজ মহামতি॥
পুত্ৰ ভৈল ৰমানাথ মাতৃ গৈল মৰি।
ৰমানাথো অকালতে প্ৰাণ গৈলা ছাৰি॥
ফেদেলা খাটনিয়াৰ শলগুৰি ঠাই।
তাৰ কন্যা ব্ৰজনাথে বিবাহিলে পাই॥
সন্তান নভৈল ব্ৰজ প্ৰাণক ছাৰিল।
নন্দনাথে জোৰহাট অঞ্চলে বিহাইল।
হেমচন্দ্ৰ সুতা সিটো নন্দৰ ঘৰিণী।
ভোলানাথ ৰাধানাথ পুত্ৰৰ জননী॥
জগন্নাথ নাম যিটো দ্বিতীয় তনয়।
পেঙ্কন ভুঞিয়া শিৱসাগৰে আছয়॥
বলদেৱ নাজিৰৰ পুত্ৰী বিষ্ণুপ্ৰিয়া।
জগন্নাথে বিবাহিলে অতি প্ৰীতি হৈয়া॥
বিৰিঞ্চি যে নৱকৃষ্ণ তনয় দুগুটি।
তিনি কন্যা প্ৰসৱাইলা বিষ্ণুপ্ৰিয়া সতী॥
যোগদা বৰদা আৰু শাৰদা শোভনা।
একে একে সিসবৰ কৰোঁহো বৰ্ণনা॥
জখলাবন্ধাৰ শিৱদেৱ সুত ৰাম।
বিবাহে যোগদা নামে কন্যা অনুপাম॥
দুই পুত্ৰ আছে সিটো দেৱী যোগদাৰ।
অশ্বিনীকুমাৰ আৰু হিৰণ্যকুমাৰ॥

মেলেঙৰ বাপিৰাম সুত যজ্ঞেশ্বৰ।
বিবাহে বৰদা আছে দুহিতা তাহাৰ॥
দেৱগঞা বৰুৱা শ্ৰীভোগদত্ত খ্যাত।
তাৰ পুত্ৰ বিমলে বিহালে শাৰদাক॥
টঙ্কেশ্বৰ নেপালী মহন্ত কন্যা এক।
বিবাহে বিৰিঞ্চি কহো সন্তান প্ৰত্যেক॥
বৈকুণ্ঠ বীৰেন্দ্ৰ আৰু নৰেন্দ্ৰ কনিষ্ঠ।
শৈল নামে সুতা এক জানিবাহা নিষ্ঠ॥
নমোৰাম মুৰালী মহন্ত সুতা যিটো।
নৰকৃষ্ণে তেজপুৰে বিবাহিলে সিটো॥
জগন্নাথ পত্নী যিটো বিষ্ণুপ্ৰিয়া সতী।
গয়াক্ষেত্ৰে স্বামী আগে মৰি সাধে গতি॥
ৰতনপুৰীয়া গোসাঁই কন্যা বসুন্ধৰী।
যাৰ মাতৃ ন-গোসাঁই ঘৰৰ জীয়ৰী।
গোপালে বিহাইলে সেই কন্যা অনন্তৰ।
পত্নী অদৰ্শনে প্ৰাণ গৈল গোপালৰ॥
গোলাপ নামত যিটো পৰম সুশান্ত।
ইংলণ্ড স্কটলণ্ড দেশে শাস্ত্ৰ পঢ়িলন্ত॥
চিকিৎসা শাস্ত্ৰত নানা উপাধি লভিলা।
শ্ৰেষ্ঠ চিকিৎসক হৈয়া আমেৰিকা গৈলা॥
পঞ্চাশ বৰ্ষৰ অধিক কাল তৈত।
ইংৰাজ ৰাজাৰ কাৰ্য্য কৰি সুখ্যাতিত॥

শেষে কলিকতা হাওড়া নগৰী আসিলা ।
অনেক বৎসৰ চিকিৎসক পদে ৰৈলা ॥
বিবাহ ঘটিল হাওড়া নাম নগৰীত ।
পত্নীসমে মহাসুখে ৰহিলা তঁহিত ॥
ডাক্তৰী কাৰ্য্যক কৰি মহা যশস্যাৰে ।
নিঃসন্তান হৈয়া ত্যজি গৈলা ইহসংসাৰ ॥
জয়কৃষ্ণ নামে যিটো পঞ্চম তনয় ।
কিনাৰাম ভাগতীৰ কন্যা শুভনয় ॥
জয়দাক বিবাহিলা তিনি সুতা হৈল ।
হেমলতা মুকুতা কুসুম নাম থৈল ॥
ৰজনী ঠাকুৰ যাৰ বাস জাঁজি স্থান ।
বিবাহিলে হেমলতা আছে সুতা তান ॥
চাৰিঙ্গীয়া বৰুৱাৰ কমল তনয় ।
লক্ষ্মীনাথে মুকুতাক কৰে পৰিণয় ॥
সোনাৰাম ফুকনৰ তনয় মুকুতা ।
বিবাহে কুসুম পুত্ৰ আছে শোভনীত ।
চাৰিঙ্গীয়া বৰুৱা নামত শিৱনাথ ।
ধৰ্ম্মনিষ্ঠ জ্ঞানী সিটো পৰম সুশান্ত ॥
কন্দৰ্প তাহাৰ পুত্ৰ পৰম সুশান্ত ।
গোলাপী দুহিতা তাৰ আনিবাহা শিষ্ট ॥
বিষ্ণুনাথে বিবাহিলে আনন্দে গোলাপী ।
পৰম হৰিষে দুয়ো আছন্ত অদ্যাপি ॥

বেজৰকন্যা বংশাৱলী

গোলাপী প্ৰসবে দুই পুত্ৰ চাৰি সুতা।
প্ৰেমলতা অন্নদা ৰূপসী কুঞ্জলতা ॥
বসন্তকুমাৰ কৃষ্ণকুমাৰ তনয়।
পিতৃমাতৃ সঙ্গে সবে হৰিষে আছয় ॥
ৰামচন্দ্ৰ চক্ৰবৰ্ত্তী সাবৰ বংশৰ।
বিবাহিলে প্ৰেমলতা হৰিষ অন্তৰ ॥
শৰতকুমাৰী প্ৰেমলতা সুতা হয়।
অন্নদাক ভদ্ৰেশ্বৰে কৰে পৰিনয় ॥
শেষ কন্যা দুই পুত্ৰ আছে পিতৃ সঙ্গে।
চিকিৎসক হৈয়া বিষ্ণু ৰক্ষে মনৰঙ্গে ॥
বৰঘৈনী পৰিয়াল কথা সাঙ্গ কৰি।
সৰুঘৈনী পৰিয়াল কহিবোঁ বিবৰি ॥
গোবিন্দ বিনন্দ পৰে দুৰ্গেশ্বৰী নাম।
শ্ৰীনাথ শ্ৰীলক্ষ্মীনাথ লক্ষ্মণ যে ৰাম ॥
কনিষ্ঠ শ্ৰীহৰিনাথ এই অষ্টজন।
সৰুঘৈনী থানেশ্বৰী কৰয় জনন ॥
গোবিন্দ নামত যিটো প্ৰথম তনয়।
বিদ্যাত নিপুণ জ্ঞানী মানী মহাশয় ॥
উচ্চ বিদ্যালয় ত্ৰয় কৰিয়া স্থাপন।
আসামৰ জোৰহাটে আছে মতিমান ॥
ক্ষত্ৰিয় আত্মজ মুকুন্দ সিংহ মহামতী।
গোবিন্দে বিহাইলা তাৰ সুতা লীলাৱতী ॥

এক কন্যা দুই পুত্ৰ লীলাৱতী এৰি।
স্বামী বিদ্যমানে গৈল প্ৰাণ পৰিহৰি ॥
যোগবালা কন্যা পুত্ৰ প্ৰথম দেৱেন্দ্ৰ।
কনিষ্ঠ তনয় নাম থৈলন্ত উপেন্দ্ৰ ॥
টুকেশ্বৰ বৰ কটকীৰ পুত্ৰ হীৰা।
বিহাইলন্ত যোগবালা কাৰ্য্যত তৎপৰা ॥
পুত্ৰ এক সমে যোগবালা হীৰাজায়া।
পিতৃগৃহে আছে পুত্ৰ সহিতে বঞ্চিয়া ॥
গোবিন্দে বিবাহ আৰ নকৰি সমূলি।
মহাসুখে ৰক্ষে নিজ কাৰ্য্য প্ৰতিপালি ॥
খণ্ডীয়া ফুকন পুত্ৰ কুলনাথ সুতা।
ইন্দুমতী নাম পূৰ্ব্ব পত্নীৰ দুহিতা ॥
বিনন্দে বিহাইলে সেই কন্যা ইন্দুমতী।
পঞ্চকন্যা তিনি পুত্ৰ প্ৰসবাইলা সতী ॥
প্ৰথমা যামিনী দুৰ্গেশ্বৰী যে অপৰ।
কামিনী কমলেশ্বৰী ভুবনেশ্বৰী পৰ ॥
প্ৰথম তনয় মৰে আছে দুইজন।
আনন্দ মাধৱ নাম পৰম শোভন ॥
দৈচিঙীয়াৰ প্ৰেশ্বৰ নাম মহাশয়।
তাহাৰ তনয় নীলধৰ নাম কয় ॥
জ্যেষ্ঠা কন্যা যামিনীক বিবাহ কৰিল।
স্বামী পদ সেৱী দেৱী আনন্দে ৰহিল ॥

কণীনাথ ফুকন নামত শুদ্ধমতি।
প্রাগ্ জ্যোতিষপুৰে যিটো কৰয় বসতি ॥
পুত্র উমানাথে দুর্গেশ্বৰী বিবাহিলা।
পিতৃগৃহে দুৰ্গেশ্বৰী বিধবা হইলা ॥
ইংৰাজ ৰাজাৰ কার্য্য বিনন্দে কৰিয়া।
পত্নীসুত সমে আছে কালক বঞ্চিয়া ॥
কাশীনাথ তামুলী ফুকন মহামতি।
যাৰ যশৰাশি আছে লোকত প্রকতি ॥
তাহাৰ কমলানাথ প্রথম তনয়।
সুধীৰ সুশান্তমতি সিজন হোৱয় ॥
তাহাৰ তনয়া নাম গৌৰদা প্রখ্যাত।
বিবাহিলোঁ মই সিটো কন্যাক সাক্ষাত ॥
কন্যা তিনি পুত্র এক উদৰে ধৰিলা।
শেষে এক পুত্র পায়া প্রাণক ত্যজিলা ॥
তনয়া সুবর্ণলতা গিৰিজা সুন্দৰী।
ৰোহিনী কনিষ্ঠা এই তৃতয় জীয়াৰী ॥
পুত্র এক ভৈল কৃষ্ণনাথ নাম তাৰ।
শেষ শিশু পুত্র প্রাণ কৈলা পৰিহাৰ ॥
মাহৰা নামত সত্র গোলাঘাট স্থানে।
বলদেৰ অধিকাৰ সকলে বখানে ॥
তাহাৰ প্রথম পুত্র তাৰানাথ নাম।
বিবাহে সুবর্ণলতা পৰম সুঠাম ॥

সুবর্ণলতার জানা আছে কন্যা এক।
দ্বিতীয়া কন্যার কথা কহিবো প্রত্যেক ॥
প্রাগ্‌জ্যোতিষপুরে ব্রহ্মপুত্র উত্তরত।
বামদত্ত মিশ্র নাম শাস্ত্রত নিরত ॥
তার পুত্র গোবিদত্ত বিদ্যার ভূষণ।
বিবাহিলা গিরিজাসুন্দরী রঙ্গমন ॥
নলিনি নামত পুত্র ভৈল গিরিজার।
পতি পুত্র সমে আছে হরিষ অন্তর ॥
কৃষ্ণনাথ পুত্র আর রোহিনী তনয়া।
পিতৃ পিতামহী সমে আছয় বঞ্চিয়া ॥
প্রথমর ভার্য্যা মোর বিয়োগ অন্তত।
দ্বিতীয় বিবাহ মোর ভৈলন্ত সংঘট ॥
পর্ব্বতীয়া বরুরা যে ব্রজনাথ নাম।
পরম বিশিষ্ট জ্ঞানী বাস দেবগ্রাম ॥
তাহার দ্বিতীয় পুত্র কার্ত্তিক সুনয়।
সুতা প্রেমলতা তার বিবাহিলোঁ মই ॥
প্রেমলতা দেবী প্রসবাইল পুত্র এক।
নামত ত্রৈলোক্যনাথ কহিলো প্রত্যেক ॥
চতুর্থ তনয় যার লক্ষীনাথ নাম।
বি, এ, আখ্যাধারী শুভমতি অনুপাম ॥
কলিকত্তা নগরীত জোড়াসাঁকো স্থান।
আছয় ঠাকুর বংশ পরম প্রধান ॥

দেবেন্দ্র ঠাকুৰ যাক মহৰ্ষি বোলয় ।
পৰম ধাৰ্ম্মিক জ্ঞানী মানী শুদ্ধাশয় ॥
তাৰ পুত্ৰ হেমেন্দ্ৰঠাকুৰ মহামতি ।
পবিত্ৰ হৃদয় যিটো ধৰ্ম্মৰত অতি ॥
দুহিতা তাহাৰ প্ৰজ্ঞাসুন্দৰী বিদুষী ।
লক্ষ্মীনাথে বিবাহিলা পৰম হৰিষি ॥
চাৰি কন্যা লভি প্ৰজ্ঞাদেৱী গুণৱতী ।
স্বামী পদসেৱী সুখে ৰঙ্গে দিন সতী ॥
প্ৰথম দুহিতা যিটো সুৰভি নামত ।
পঞ্চবৰ্ষ কালে মৃত্যুমুখে উপগত ॥
অৰুণা দ্বিতীয়া ৰত্নাৱলী যে তৃতীয়া ।
চতুৰ্থা দীপিকা আছে অতি শোভনীয়া ॥
পত্নী সুতা সমে লক্ষ্মীনাথ শুভনয় ।
স্বীয় ব্যৱসায় পালি হাওড়াত থাকয় ॥
মহাব্ৰহ্মা বাৰুণীত গঙ্গাস্নান মনে ।
কলিকতা পিতৃমাতৃ সহিত লক্ষ্মণে ॥
গৈয়া বিধিমতে কাৰ্য্য সমাপন কৰি ।
ঈশ্বৰ ইচ্ছাৱে তাতে প্ৰাণ গৈলা ছাৰি ॥
চিকিৎসা শাস্ত্ৰক বহু কৰিয়া যতন ।
পিতৃমুখে সবিশেষ শিকিলে লক্ষ্মণ ॥
পিতৃৰ পৰম প্ৰিয় ছিলা শুদ্ধাচাৰী ।
ৰামচন্দ্ৰে গোলাঘাটে গৈলা প্ৰাণ ছাৰি ॥

কনিষ্ঠ শ্রীহবিনাথ কলিকতা স্থানে।
ব্যবসা আচবি দিন বঞ্চে বঙ্গ মনে॥
কীর্ত্তিনাথ খণ্ডীয়া কুকন সুত সাব।
নামত কেশবনাথ বিশুদ্ধ আচাব॥
তাহাব তনয়া হেমপ্রভা নামে সতী।
হবিনাথে বিবাহ কবিলে হৃষ্টমতি॥
পিতৃব সন্তান কথা এবে সাঙ্গ কবোঁ।
বাম বাম বুলি সবে আপদ নিস্তবোঁ॥

বৈদ্য শ্রেষ্ঠ হলিবাম বকরা শ্রীমন্ত।
অকণ নামত কন্যা বিহা কবিলন্ত॥
দিচিঙ্গাল কটকি মন্মথ সুতা সতী।
দুই কন্যা তিনি পুত্র ধবে গুণবতী॥
যজ্ঞো বমাকান্তি কন্যা পুত্র বিপুঞ্জয়।
ভবনাথ সুচন্দ্র সমস্তে শুদ্ধাশয়॥
চন্দ্রব কটকি পুত্র জয়কৃষ্ণ নাম।
যজ্ঞোদেবী বিবাহ কবিলা অনুপাম॥
পুত্র তিনি কন্যা এক প্রসবিলা সতী।
জ্যেষ্ঠ কান্তুবাম সক কোমল সুমতি॥
মধ্যম মবিল কান্তুবাম নিঃসন্তান।
বাজবৃত্তি ভুঞ্জি শেষে ছাবিলন্ত প্রাণ॥

কোমল উদাস ধৰ্ম্মে থাকি আউনিআটী।
প্ৰাণক ছাবিল বংশ কৰি সত্ৰাপতি ॥
শীতলৰ যোগদেৱ উপাধ্যায় নাম।
পৰম পণ্ডিত ধীৰমতি অনুপাম ॥
পুত্ৰ ত্ৰিলোচনে ৰমাকান্তিক বিহাইল।
স্বামী পদ সেৱি মৰি গতিক লভিল ॥
বিপুঞ্জয় বৈষ্ণৱ বৰুৱা বুলি খ্যাতি।
পুত্ৰ ভৈল পূৰ্ণানন্দ পশুৰাম দুটি ॥
পূৰ্ণানন্দ বৰুৱা পৰম খ্যাতিমন্ত।
একষ্ট্ৰাএচিষ্টেণ্ট হৈলা কাৰ্য্য কৰিলন্ত ॥
ধুবুৰী নগৰে থাকি ৰাজকাৰ্য্য কৰি।
পুত্ৰ পত্নী আছে প্ৰাণ গৈলা পৰিহৰি ॥
আধাৰ মহন্ত মহেশ্বৰ সুতা যিটো।
পূৰ্ণানন্দ পত্নী নিঃসন্তানে মৰে সিটো ॥
খণ্ডীয়াফুকন কন্যা পৰে বিবাহিলা।
দুই কন্যা এক পুত্ৰ সতী প্ৰসৱিলা ॥
কন্যা গোলাই ভাবামণি পুত্ৰ দয়ানন্দ।
ৰাখি স্বামী আগে দেৱী মৰিল আনন্দে ॥
ডাঙৰীয়া ঢেকিয়াল ফুকন প্ৰবীৰ।
নামত আনন্দৰাম জ্ঞানী মানী ধীৰ ॥
যাৰ যশৰাশি বিস্তাৰিত অবিৰাম।
তনয় ৰাধিকাৰাম অমলা সুঠাম ॥

বাবিষ্টৰ বাধিকাক সকলে জানয় ।
জৰ্ম্মানি ইংলণ্ড আদি ভ্ৰমি মহাশয় ॥
নৃত্য গীতাদিত শ্ৰেষ্ঠ খিতাপ লভিলা ।
শেষে তাৰতত আসি প্ৰাণক ত্যজিলা ॥
তাৰ ভ্ৰাতৃ অন্নদা বিবাহে গোলাই সতী ।
কালবশে দুইজনে মৰি সাথে গতি ॥
গোলাইৰ তনয় এক দেবেন্দ্ৰ নামত ।
দুহিতা শিশিৰ দুয়ো আছয় সাক্ষাত ॥
দেউৰাম খাওন্দ নাম পণ্ডিত পৰম ।
তাৰ সুত পৰশুৰাম খাওন্দ শ্ৰেষ্ঠতম ॥
এক্‌ট্ৰাএচিষ্টেণ্ট পদে লই অৱসৰ ।
মহাসুখে তিবুকত বঞ্চে অনন্তৰ ॥
পূৰ্ণলতা তাৰামণি তেওঁ বিবাহিলা ।
পঞ্চপুত্ৰ তিনি কন্যা সতী ওপজাইলা ॥
ৰণীন্দ্ৰ ৰবীন্দ্ৰ আৰু মহীন্দ্ৰ যতীন্দ্ৰ ।
কনিষ্ঠ তনয় নাম তৈলেক শৌৰীন্দ্ৰ ॥
দুহিতৃ তৃতয় স্বৰ্ণলতা যে প্ৰথমা ।
কনিষ্ঠা বিদ্যুৎপ্ৰভা কনক মধ্যমা ॥
মাৰোৱাৰী লক্ষেশ্বৰ বি, এ, আখ্যাধাৰী ।
বিবাহিলা স্বৰ্ণলতা দেৱীক সাদৰি ॥
দুই কন্যা এক পুত্ৰ দেৱী গৰ্ভে ধৰে ।
লক্ষেশ্বৰে কালবশে প্ৰাণ পৰিহৰে ॥

PLEASE HANDLE THE BOOK CAREFULLY

বি-এ-জগন্নাথ পুত্ৰ নামত দেবেন্দ্ৰ।
বিবাহি কনকলতা লভিল আনন্দ॥
শেষ পুত্ৰ কন্তাৰ সম্বন্ধ নাই ঘটা।
কহো এবে মই শেষ বংশাৱলী কথা॥
ভাণ্ডৰীয়া বলোৰাম চেকিয়াল ফুকন।
পৰম সুধীৰ জ্ঞানৱন্ত শুদ্ধমন॥
গিৰিজাসুন্দৰী নামে তাহাৰ আত্মজা।
তৰুণ ফুকন বেৰিজ্টৰৰ অগ্ৰজা॥
দয়ানন্দে বিবাহিলে গিৰিজা সুন্দৰী।
নিঃসন্তানে দয়ানন্দে গৈলা প্ৰাণ ছাৰি॥
ন-গাঁও লভাবোৱা সত্ৰৰ মহন্ত।
গিৰিধৰ সুতা পূৰ্ণনন্দে বিহাইলন্ত॥
তিনি পুত্ৰ দুই কন্তা গৰ্ভত ধৰিলা।
ৰমানন্দ জগদানন্দ নাম হৈলা॥
তৃতীয় মহদানন্দ তনয় আছয়।
তনয়া ত্ৰৈলোক্যেশ্বৰী পৰেশ্বৰী কয়॥
মুৰালি মহন্ত মহোধৰৰ তনয়া।
তেজপুৰে ৰমানন্দে আছে বিবাহিয়া॥
চিন্তাপ্ৰভা নাম ৰমানন্দৰ ঘৰিণী।
উমানন্দ নাম পুত্ৰ একৰ জননী॥
বাজগুৰু তুলসীফুকন সুতা সতী।
বিবাহে জগদানন্দ অতি হৃষ্টমতি॥

তৃতীয় তনয় অবিবাহিত আছয় ।
কহো ত্ৰৈলোক্যেশ্বৰীৰ কথা পৰিনয় ॥
জগন্নাথ বৰুৱা উপাধি বি, এ, খ্যাত ।
পৰম বিশিষ্ট জ্ঞানী মানী যে প্ৰখ্যাত ॥
এড্‌ৱাৰ্ড সপ্তম সম্ৰাট অভিষেক ।
সময়ে নিমন্ত্ৰি তাক নিলে ইংলণ্ডক ॥
বিবাহে ত্ৰৈলোক্যেশ্বৰী তেওঁ সুচৰিতা ।
নিঃসন্তান দেৱী স্বামীহীনা বিষাদিতা ॥
পৰমেশ্বৰী যোগেশ্বৰ কটকি বিহাইলা ।
নিঃসন্তান হৈয়া দেৱী প্ৰাণক ছাৰিলা ॥
কেশৱ পূজাৰি বুলি পৰম সুশিষ্ট ।
দেৱ দ্বিজৰত যিটো পৰম ধৰ্ম্মিষ্ঠ ॥
তাহাৰ তনয় গঙ্গাগোবিন্দ ফুকন ।
পৰম সুধীৰ জ্ঞানীমানী হৃষ্টমন ॥
তাহাৰ অগ্ৰজা পণ্ডিতে বিবাহিলা ।
পুত্ৰ গুণগোবিন্দ আৰ গুণানন হৈলা ॥
গুণগোবিন্দৰ যিটো প্ৰথমৰ জায়া ।
ৰাধা কটকিৰ পৌত্ৰী হৈলা পৰিনিয়া ॥
পদ্মৰেখা কন্যা ৰাধাগোবিন্দ তনয় ।
কন্যা পুত্ৰ ৰাখি সতী প্ৰাণ পৰিহয় ॥
কন্যা পদ্মৰেখা গুৰুপ্ৰসাদে বিহালে ।
দ্বিতীয় বিবাহ গুণগোবিন্দে কৰিলে ॥

জোৰহাটে সোনাৰাম ফুকনৰ সুতা।
গুণগোবিন্দৰ সিটো ভাৰ্য্যা অনিন্দিতা॥
পুত্ৰ কৃষ্ণগোবিন্দ নামত ভৈল তাৰ।
গুঞ্জানন কথা এবে কৰিবো বিস্তাৰ॥
জখলাবন্ধাৰ শিৱদেৱ গোস্বামীৰ।
সুতা হেমী বিবাহিলে গুঞ্জানন ধীৰ॥
ছয় পুত্ৰ প্ৰসৱাইলে হেমী গুঞ্জজায়া।
একে একে সি সবক কহো বিবৰিয়া॥
পদ্মৰঞ্জন ধৰ্ম্মৰঞ্জন আৰ গোপীৰঞ্জন।
গগনৰঞ্জন এক আৰু নিত্যৰঞ্জন॥
ভৈৰৱৰঞ্জন সমে এই ছয় জন।
হৈমাৱতী গুঞ্জজায় কৰয় জনন।
গুণ গোবিন্দৰ দুই ভগিনীৰ নাম।
ভৈল মুক্তাৱতী লীলাৱতী যে সুঠাম॥
হিতেশ্বৰ কটকি বিহাইলে মুকুতাক।
প্ৰসবিলে বন্ধা স্বৰ্ণ সূৰ্য্য দুহিতাক॥
ব্ৰহ্মকান্ত গোস্বামীৰ ভাৰ্য্যা বন্ধা ভৈল।
দুই পুত্ৰ এক কন্যা বন্ধা প্ৰসৱাইল।
টুকেশ্বৰ কটকিৰ তনয় ৰজনি।
বিবাহে স্বৰ্ণক পুত্ৰ কন্যাৰ জননী॥
গোবিন্দ কটকি বিবাহিলে সূৰ্য্য দেবী।
দুই পুত্ৰ এক কন্যা আছয় প্ৰসবি॥

লক্ষীনাথ বৰুৱা বসতি যেবগ্ৰাম।
বিবাহিলা লীলাৱতী পূৰ্ণ মনস্কাম॥
পুত্ৰ এক নাম তাৰ দুৰ্গানাৰায়ণ।
চাৰি কন্যা হেমদা কনকা যে কাঞ্চন॥
তৈলস্ত সুবৰ্ণলতা কনিষ্ঠা তনয়া।
যোগেশ্বৰ ফুকনে হেমদা বিবাহিয়া।
তিনি পুত্ৰ এক কন্যা হেমদা ধৰয়।
দীন বৰবৰুকি কনকা পৰিণয়॥
দুই পুত্ৰ দুই কন্যা সতী গৰ্ভে ধৰি।
আছয় সুখত স্বামী পদ সেৱা কৰি॥
শিৱনাথ ভট্টাচাৰ্য্য শিলঙে বক্তয়।
বিবাহে কাঞ্চন এক তনয় আছয়॥
মুকুন্দ নামত খিটো জখলা বন্ধাৰ।
বিবাহে সুবৰ্ণলতা তৈল সুতা তাৰ॥

হৰিৰাম বৰুৱাৰ সুত ভৱনাথ।
বৈত্তবিদ্যা জ্ঞাত বৰতামুলী প্ৰখ্যাত॥
মাজুলোল বৰুৱা যে লক্ষীনাথ নাম।
বিবাহে দুহিতা তাৰ গুণে অনুপাম॥
তিনি পুত্ৰ দুই কন্যা গৰ্ভত তাহাৰ।
কিনাৰাম বিদ্যানন্দ নাৰায়ণ আৰ॥

সৰ্ব্বানন্দ হৈল জানা কনিষ্ঠ তনয় ।
তনয়া মোহিনী সোণপাহী বুলি কয় ॥
নিঃসন্তানে কিনাৰাম প্ৰাণক ছাৰিলা ।
বিদ্যানন্দে উমাকান্তি কন্যা বিবাহিলা ॥
ৰাজগুৰু ব্ৰজনাথ ফুকনৰ সুতা ।
সিটো উমাকান্তি বিদ্যানন্দৰ বনিতা ॥
চাৰি কন্যা পুত্ৰ দুই বিদ্যাজায়া ধৰে ।
ঈশ্বৰ ইচ্ছায় বিদ্যা প্ৰাণ পৰিহৰে ॥
তন্ত্ৰ বৰপূজাৰিৰ পুত্ৰ সোমেশ্বৰ ।
তাৰ জ্যেষ্ঠ তনয় নামত দেবেশ্বৰ ॥
বিদ্যানন্দ কন্যা প্ৰেমদাক বিবাহিল ।
উমা পঞ্চ পুত্ৰ ৰাখি সতী প্ৰাণ গল ॥
প্ৰমোদ নামত বৰ ঠাকুৰ বোলয় ।
ধৰ্ম্মেশ্বৰী মধ্যমাক সিটো বিবাহয় ॥
দুই পুত্ৰ ছয় কন্যা ধৰ্ম্মেশ্বৰী ধৰে ।
বসন্তকুমাৰ আৰু আনন্দকুমাৰে ॥
সুখদা সুন্দৰী আৰু বৰদা সুন্দৰী ।
জ্ঞানদা সুন্দৰী আৰু মোক্ষদা সুন্দৰী ॥
সৰোজিনী দেৱী পৰে বিমলা সুন্দৰী ।
এই ছয় কন্যা গৰ্ভে ধৰে ধৰ্ম্মেশ্বৰী ॥
লেঙঠাকুৰৰ গুণনাথ নাম যাৰ ।
বিবাহে সুখদা এক পুত্ৰ কন্যা তাৰ ॥

দুৰ্গেশ্বৰ ঠাকুৰৰ তনয় উপেন্দ্ৰে।
পৰিনিলে ৰবদাক পৰম আনন্দে॥
কামেশ্বৰ সভাপণ্ডিতৰ সুত এক।
ভবানীক পৰিনিলে নামত কনক॥
দুই পুত্ৰ কন্যা এক ভবানীৰ ভৈল।
জ্যেষ্ঠ তনয়ৰ নাম ৰজনি যে থৈল॥
বিদ্যানন্দ শেষ কন্যা বিচিত্ৰী বোলয়।
গৌৰিপ্ৰসাদ মহন্তে তাহাক পৰিণয়॥
চাৰি পুত্ৰ এক কন্যা বিচিত্ৰীৰ ভৈল।
যোগেন্দ্ৰ ৰবীন্দ্ৰ ৰাজেন্দ্ৰ নাম থৈল॥
নগেন্দ্ৰ নামত ভৈল কনিষ্ঠ তনয়।
গিৰিবালা নাম এক তনয়া আছয়॥
দৈচুঙা মিত্ৰধৰ অধ্যাপক খ্যাত।
পণ্ডিত প্ৰৱৰ ধৰ্ম্মশীল সুবিখ্যাত॥
সুতা গিৰিজাক নাৰায়ণে বিবাহয়।
পুত্ৰ এক ৰাখি সতী প্ৰাণক ত্যজয়॥
নাম চন্দ্ৰকমল বুলিয়া তাক কয়।
প্ৰথম বিবাহ তাৰ দিওঁ পৰিচয়।
প্ৰধান ঠাকুৰ খেতকেশ্বৰ বোলয়।
মেৰগ্ৰামে তাৰ সুতা চন্দ্ৰে বিবাহয়॥
চক্ৰেশ্বৰী নাম সিটো খেতক সুতাৰ।
পুত্ৰ এক ৰাখি প্ৰাণ কৈলা পৰিহাৰ॥

নাম চন্দ্ৰমোহন থৈলন্ত বালকৰ।
দ্বিতীয় বিবাহ কহোঁ চন্দ্ৰকমলৰ॥
গঙ্গাধৰ বৰকটকিৰ সুতা এক।
বিবাহিলে প্ৰভবাইলে দুই দুহিতাক॥
চন্দ্ৰকমলৰ পিতৃ নাম নাৰায়ণ।
স্বাধীন ব্যৱসাধাৰী চৰিত্ৰ শোভন॥
প্ৰথমৰ ভাৰ্য্যা তাৰ মৰণৰ অন্তে।
ঘনশ্যাম চক্ৰবৰ্ত্তী সুতা বিহাইলন্ত॥
ক্ষীৰদা নামত সিটো কন্যা শুভনয়া।
নাৰায়ণ ঘৰিণী কহিলোঁ বিস্তাৰিয়া॥
তিনি পুত্ৰ তিনি কন্যা সতী প্ৰসবায়।
আনন্দ প্ৰথম যোগেশ্বৰ মধ্য হয়॥
কনিষ্ঠ তনয় নাম থৈলন্ত গোলোক।
তিনি কন্যা নাম মই কহিবো প্ৰত্যেক॥
দময়ন্তী বিদ্যাধৰী আৰু মহেশ্বৰী।
সিসবৰ বিবাহক কহিবোঁ বিবৰি॥
দৈচুৱা যোগধৰ পণ্ডিত প্ৰবৰ।
তাহাৰ তনয় নাম থৈল চন্দ্ৰধৰ॥
বিবাহিলা দময়ন্তী দুই পুত্ৰ ভৈল।
বজ্ৰেশ্বৰ কুলধৰ বুলি নাম থৈল॥
আৰু দুই কন্যা দময়ন্তী গৰ্ভে ধৰে।
আইকণ সুভদ্ৰা বুলিয়া নাম কৰে॥

ডাঙৰীয়া কীৰ্ত্তিনাথ ফুকন তনয় ।
কৃপানাথ ফুকন নামত শুদ্ধাশয় ॥
ৰাধানাথ ফুকন যে তাহাৰ নন্দন ।
এম-এ বি-এল উপাধিক কৰিছা ধাৰণ ॥
একষ্ট্ৰাএচিষ্টেণ্ট কমিশ্যনৰ হোৱয় ।
বিদ্যাধৰী কন্যা সিটো বিবাহ কৰয় ॥
এক সুতা নিৰ্ম্মলাসুন্দৰী প্ৰসবিলা ।
নলিনীকুমাৰ পুত্ৰ গৰ্ভত ধৰিলা ॥
নন্দীকান্ত আচাৰ্য্যৰ সুত চন্দ্ৰধৰ ।
মহেশ্বৰী বিবাহিলা হৰিষ অন্তৰ ॥
কন্যা এক প্ৰসবিয়া দেবী মহেশ্বৰী ।
স্বামী সুতা সমে আছে পতি সেৱা কৰি ॥
দৈচুতীয়া শ্ৰীধৰ মহৰিৰ সুতা ।
নাৰায়ণ সুত আনন্দৰ বিবাহিতা ॥
মোহিনী নামত নাৰায়ণৰ ভগিনী ।
বিশ্বেশ্বৰ খাওন্দৰ ভৈলেক ঘৰিণী ॥
প্ৰথম তনয় তাৰ জগন্নাথ নাম ।
দ্বিতীয় ভুবনেশ্বৰ কৰিবো ব্যাখ্যান ॥
দুহিতা নৰ্ম্মদা আৰু মাণিকী বোলয় ।
নব ৰাজগুৰু ঘৰে নৰ্ম্মদা পৰয় ॥
এক পুত্ৰ কন্যা এক প্ৰসবাইলা সতী ।
কালবশে স্বামী আগে মৰি সাধে গতি ॥

মাণিকীক কণা দুৰ্গা ঘৰে বিহা দিলা।
প্ৰসবি সন্তান তিনি প্ৰাণ পৰিহিলা॥
দৈচুতা মোক্ষধৰ বৰুৱা তনয়া।
জগন্নাথে ৰঙ্গমনে আছে পৰিনিয়া॥
দুইপুত্ৰ তিনি কন্যা গৰ্ভে ধৰি সতী।
পতি পুত্ৰ কন্যা সমে থাকে হৃষ্টমতি॥
ৰত্নেশ্বৰ মৌজাদাৰ ভ্ৰাতৃ যজ্ঞেশ্বৰ।
তাৰ সুতা বিবাহিলা ভুবনেশ্বৰ॥
ভুবন বনিতা দুই সন্তান প্ৰসবে।
এক পুত্ৰ এক কন্যা গৰ্ভত প্ৰভবে॥
শিৱ বেজবৰুৱাৰ পুত্ৰ কাশীনাথ।
বিবাহ কৰিলে সোণপাহীক সাক্ষাত॥
দুই পুত্ৰ এক কন্যা গৰ্ভত ধৰিলা।
প্ৰথম মহেন্দ্ৰনাথ নাম খ্যাত হৈলা॥
দ্বিতীয় মথুৰানাথ অনুজা কামদা।
মহেন্দ্ৰৰ এক পুত্ৰ এক কন্যা তদা॥
মথুৰাৰ বিবাহ সম্বন্ধ নাই ঘটা।
কামদাৰ দুই সুত আৰু দুই সুতা॥
মাণিক শ্ৰীজয়কৃষ্ণ দুগুটি তনয়।
বিমলা অপৰ এক দুহিতা আছয়॥

অঙ্গদ আত্মজ মনুৰাম মতিমান।
মনু সুত চন্দৰ ফুকন গুণবান॥
আৰু তিনি পুত্ৰ মনুৰামৰ ভৈলন্ত।
হেমকণ্ঠ বেথাৰাম বঙাই পৈলন্ত॥
হেমকণ্ঠ সুত নাম কম্বুকণ্ঠ ভৈল।
হিতেশ্বৰ কটকিৰ ভগিনী বিহাইল॥
স্মৃতিকণ্ঠ নামে ভৈল প্ৰথম তনয়।
দ্বিতীয় তনয় নাম নবীন বোলয়॥
নিঃসন্তান দুইজন প্ৰায় নিৰুদ্দেশ।
চন্দৰফুকন বংশ কৰিবো নিৰ্দ্দেশ॥
চন্দৰ তনয় নাম ভৈল বেণুধৰ।
শম্ভুনাথ সুতা মধুমিশ্ৰা গোস্বামীৰ॥
বিবাহি প্ৰভৱে তিনি পুত্ৰ কন্যা এক।
প্ৰথম খেটকেশ্বৰ কহিবো প্ৰত্যেক॥
কমল যোগীন নামে ভৈল অনন্তৰ।
দেৱযানী নামত তনয়া মনোহৰ॥
মাজুলীৰ সোমেশ্বৰ ঠাকুৰ তনয়া।
খেটকে বিহাইলে তিনি পুত্ৰ আছে হৈয়া॥
প্ৰথম কেশৱদেৱ নবদেৱ পৰ।
কনিষ্ঠ তনয় ভৈল নাম বোধেশ্বৰ॥
কমল নামত বিটো বেণুৰ তনয়।
চভাই শৰ্ম্মাৰ কন্যা বিবাহি আছয়॥

যোগীনৰ বিবাহ সম্বন্ধ নাই ঘটা ।
সবিশেষে বিবৰিবোঁ দেৱযানী কথা ॥
মাজুলিৰ মোহনচন্দ্ৰ তামুলী তনয় ।
নামত কনকচন্দ্ৰ পৰম বিনয় ॥
জয়কৃষ্ণ কটকিৰ সুত কানুৰাম ।
কনকক পোষাপুত্ৰ কৰি সাধে কাম ॥
দেৱযানা কন্যা সেই কনকে বিহাইল ।
তিনি পুত্ৰ এক কন্যা সতী প্ৰসবিল ॥
নবীন প্ৰথম হেমকান্তি সুতা পৰ ।
মহীকান্ত গনেশ তনয় অনন্তৰ ॥
শেষে পুত্ৰ প্ৰসবিয়া দেবী দেবযানী ।
ঈশ্বৰ ইচ্ছায় ত্যাগ কৰিলা পৰাণি ॥

হলিৰাম বৰুৱাৰ ৰূপহী ভগিনী ।
পুনিয়া গোস্বামী লোকাই বিবাহিলা জানি ॥
তাৰ পুত্ৰ নমোৰাম পত্নী চন্দ্ৰী সুতা ॥
চুৰবীয়া জগন্নাথ পত্নী পাৰ্ব্বতী তথা ॥
পাৰ্ব্বতীৰ তনয় হলিৰাম নাম হৈল ।
মাহৰা গোস্বামী চন্দ্ৰী দেবীক বিহাইলা ॥

পিতৃৰ ভগিনী ত্ৰয় ছুৰ্ব্বী বিনাই সতী।
কুন্দাই তৃতয় পতি পুত্ৰহীনা অতি ॥
বিধবা ধৰ্ম্মত পিতৃ সঙ্গত থাকিয়া।
আয়ুসৰ অন্তে গৈলা প্ৰাণক চাবিয়া ॥
যোগেশ্বৰী জেঠাইৰ দুই কন্যা জাত।
দুৰ্ল্লভী যে লম্বোদৰী নামত প্ৰখ্যাত ॥
দেৱনাথ পুত্ৰ হেমকণ্ঠে দুৰ্ল্লভীক।
বিহাই লভিলে সিটো পৰম প্ৰীতিক ॥
কন্যা দুই পুত্ৰ এক দুৰ্ল্লভী জন্মাইল।
বৰ কন্যা দুৰ্গেশ্বৰ ঠাকুৰে বিহাইল ॥
চাৰি পুত্ৰ এক কন্যা সতী প্ৰসবিল।
নন্দনাথ অপৰ কনকনাথ হয়।
চন্দ্ৰনাথ অনুজ উপচন্দ্ৰনাথ কয় ॥
ভবানী দুহিতা প্ৰভবাইলা দুৰ্গেশ্বৰ।
ঊষাধৰ কটকিৰ পুত্ৰ গঙ্গাধৰ ॥
বিবাহিলে ভৱানীক পৰম যতনে।
পত্নী সুত সুতা সমে আছে ৰঙ্গমনে ॥
মহেশ্বৰ বৰুৱা পৰম জ্ঞানৱন্ত।
তাৰ পুত্ৰ ইন্দ্ৰেশ্বৰ বৰুৱা সুশান্ত ॥
বিবাহিলা দুৰ্ল্লভীৰ কনিষ্ঠা দুহিতা।
আছয় তাহাৰ এক পুত্ৰ তিনি সুতা ॥
দুৰ্ল্লভীৰ পুত্ৰ নীলকণ্ঠ নাম তাৰ।

পুত্ৰ এক ৰাখি প্ৰাণ কৈলে পৰিহাৰ ॥
লোকনাথ পুত্ৰ কৃষ্ণনাথে সহোদৰী।
বিবাহি প্ৰভৱে এক পুত্ৰ কন্যা চাৰি ॥
লোহিতীয়া ঠাকুৰ বৰুৱা অভিধান।
দুৰ্গেশ্বৰে বিবাহিলে কন্যাক প্ৰধান ॥
হৰদত্ত ডেৰগঞা বৰুৱা বিশিষ্ট।
লোকদত্ত নাম ভৈল তাহাৰ কনিষ্ঠ ॥
কৃষ্ণনাথ মধ্যমা তনয়া সুশোভনা।
বিবাহিয়া প্ৰভৱাইল ক্ৰমে পুত্ৰ কন্যা ॥
হৰদত্ত বৰুৱা বিবাহে তৃতীয়াক।
ঘনেশ্বৰ প্ৰধান ঠাকুৰে চতুৰ্থাক ॥
যজ্ঞেশ্বৰ প্ৰধান ঠাকুৰ শ্ৰেষ্ঠতৰ।
ডেৰগ্ৰামবাসী তাৰ সুত ঘনেশ্বৰ ॥
কৃষ্ণনাথ তনয় কমল যাৰ নাম।
বিবাহিলে দেৰগ্ৰামে কন্যা অনুপাম ॥
পুত্ৰ এক ৰাখি কৃষ্ণনাথৰ তনয়।
অল্প বয়সতে চলি গৈল যমালয় ॥
বত্নী নামে জেঠাইৰ বিবাহাদি ভৈল।
পতি পুত্ৰ সমে সতী প্ৰাণ পৰিহিল ॥

পিতৃৰ প্ৰধান মাতুলৰ পুত্ৰ যিটো।
তীৰ্থেশ্বৰ নামে প্ৰকাশিত ভৈল সিটো॥
নিধিৰাম সুতা তাৰ নাম ৰামেশ্বৰী।
তীৰ্থেশ্বৰে বিবাহিলে পৰম সাদৰি॥
কালে ৰামেশ্বৰী তিনি পুত্ৰ গৰ্ভে ধৰে।
পদ্মনাথ নৰনাথ শম্ভুনাথ পাৰে॥
ধনদা মোক্ষদা নামে ভৈল দুই সুতা।
নিৰাময় মৌজাদাৰ ধনদা বনিতা॥
নবীন ওজাৰ পুত্ৰ নাম দীননাথ।
বিবাহিলে মোক্ষদাক বাস নাজিৰাত॥
পদ্মনাথ বিবাহ ঘটিল ঝাঁজি গ্ৰামে।
পুত্ৰ ভৈল হৰিনাথ ভোলানাথ নামে॥
তিনি কন্যা উপজিয়া পাছে পদ্মনাথ।
আয়ুগন অন্তে প্ৰাণ ত্যজিল তথাত॥
নৰনাথো সেই গ্ৰামে বিবাহ কৰিল।
কন্যা এক ৰাখি সিটো প্ৰাণ তিয়াগিল॥
শম্ভুনাথ নাম যিটো তীৰ্থেশ্বৰ সুত।
অবিবাহে কালক্ষেপি ফুৰে হৰ্ষযুত॥
এহিমানে ইটো কথা কৰি সমাপন।
ৰাম ৰাম বোলা শুদ্ধ হোক প্ৰাণ মন॥

জগন্নাথ সুত সৰ্ব্বগুণ যুত
নাম বিষ্ণু শ্ৰেষ্ঠতম ।
তাৰ তিনি সুত হৰিৰাম জ্যেষ্ঠ
নৰহৰি যে মধ্যম ॥
কনিষ্ঠ তনয় ৰামহৰি কয়
পুত্ৰ তাৰ টুনিৰাম ।
দুহিতা দুতয় ভদ্ৰী নাম হয়
জেউতী কনিষ্ঠা নাম ॥
দিগম্বৰ দুৰ্গা বিবাহিলা ভদ্ৰা
কনিষ্ঠাক আত্মাৰাম ।
টুনিৰ অপৰ নাম টঙ্কেশ্বৰ
কেৰা ডেকা লোকে বোলে ।
তিনি পুত্ৰ তাৰ পঞ্চ কন্যা আৰ
তাৰ পত্নী প্ৰসবিলে ॥
জ্যেষ্ঠ দুৰ্গেশ্বৰ বেটনাথ পৰ
জয়কৃষ্ণ অনন্তৰ ।
দুৰ্গেশ্বৰ পুত্ৰ জগন্নাথ তত্ৰ
তাৰিণী দুহিতা বৰ ॥
আৰ চাৰিজন আছয় সন্তান
বালক অৱস্থা আছে ।
ভূধৰ উকিল পুত্ৰে বিবাহিলে
তাৰিণী কন্যাক পাছে ॥

দ্বিতীয় তনয় বেটনাথ কয়
সন্তান এক তাহাৰ।
তৃতীয় তনয় জয়কৃষ্ণ হয়
দুগুটি সন্তান তাৰ ॥
টুনিৰ জীয়ৰী নাম পুৰন্দৰী
কটকি ঘৰলৈ পৰে।
দুগুটি তনয় অতি শোভনয়
পুৰন্দৰী গৰ্ভে ধৰে ॥
ঈশান ওজাৰ পুত্ৰ নাম তাৰ
কুমুদ ঈশ্বৰ খ্যাত।
দ্বিতীয়া গোলাপী বিবাহে অদ্যাপি
পুত্ৰেক আছে সাক্ষাত ॥
কনকী তৃতীয়া ঠাকুৰে পৰিয়া
মাটিগাক ঘৰ কথা।
চতুৰ্থ দুহিতা ভৈল বিবাহিতা
মহীধৰ সুতে তথা ॥
আঠু যে পৰাৰ জনাৰ্দ্দন সাৰ
সুত ভদ্ৰ শৰ্ম্মা নাম।
বিবাহিলা তথা টুনিৰ দুহিতা
সুচৰিতা অনুপাম ॥
সন্তান প্ৰসৱি স্বামী পদ সেৱি
জিল যক্ষে অনুক্ৰমে।

ইকথা সম্বৰি কহিবোঁ বিৱাৰি
শেষ কথা ক্রমে ক্রমে ॥

জগন্নাথ বৰুৱা পৰম গুণৱন্ত ।
বৈদ্যশ্রেষ্ঠ ধর্ম্মশীল পুৰুষ শ্রীমন্ত ॥
বৰঘৈণী সৰুঘৈণী দুই পত্নী ভৈল ।
বৰঘৈণী তিনি পুত্র ক্রমে প্রসবিল ॥
হৰিনাথ জ্যেষ্ঠ ভৈল মধ্যম শ্রীকান্ত ।
কনিষ্ঠ কমলাকান্ত পৰম সুশান্ত ॥
কমলাকান্তৰ নব পুত্র কন্যা একা ।
লক্ষ্মী যজ্ঞো শ্রীকান্ত গঙ্গাই খোৰা ভেকা ॥
পৰে হৰি বলাই শ্রীৰাম দেৱৰাম ।
ধর্ম্মকান্ত কনিষ্ঠ তনয় অনুপাম ॥
গঙ্গাই বৰুৱা যিটো তৃতীয় তনয় ।
বৈদ্যবিদ্যা বিশাৰদ সাধু শুদ্ধাশয় ॥
মহাৰাজা লক্ষ্মীসিংহ নৃপ শিৰোমণি ।
বৰ ভাণ্ডাৰ বৰুৱা পাতিলা তাক আনি ।
কাকতীয়া ভগীৰথ বৰুৱা তনয়া ।
চন্দ্ৰায়ণী সতী গঙ্গাই বৰুৱাৰ জায়া ॥
পঞ্চপুত্র কন্যা এক সতী প্রসবিলা ।
মধুৰাম জুৰাৰাম দেৱৰাম ভৈলা ॥

দধিৰাম বাপুৰাম অভিনামা কন্যা।
গৰ্ভত ধৰিলা চন্দ্ৰায়ণী মহাধন্যা ॥
ৰুদ্ৰেশ্বৰ প্ৰধান ঠাকুৰ দেৱগ্ৰামে।
অভিদেৱী বিবাহ কৰিলা অনুক্ৰমে ॥
মধুৰাম বৰুৱা পৰম সাধু শিষ্ট।
বৈদ্যবিদ্যা বিশাৰদ গুণত গৰীষ্ঠ ॥
তনয় ভৈলেক তাৰ নাম মুক্তাৰাম।
আয়ুৰ্ব্বেদ শাস্ত্ৰে যাৰ জ্ঞান অনুপাম ॥
ঢাপকটা মহন্ত তনয়া বিবাহিল।
পৰম সুন্দৰ তিনি পুত্ৰ প্ৰসবিল ॥
জ্যেষ্ঠ হেমচন্দ্ৰ ভৈল বিদ্যাত উজ্জ্বল।
জ্ঞানৱন্ত শুদ্ধচিত্ত কাৰ্য্যত কুশল ॥
হেমকোষ নামে অসমীয়া অভিধান।
ৰচিয়া দৰ্শয়া শ্ৰেষ্ঠ জ্ঞান মতিমান ॥
মধ্যম তুলসীৰাম পণ্ডিত সুনয়।
ভৈলন্ত কমলচন্দ্ৰ কনিষ্ঠ তনয় ॥
হেমচন্দ্ৰ পত্নী ধৰে গৰ্ভে কন্যা এক।
জাঁজি গ্ৰামে নিবাময়ে বিবাহে তাহাক ॥
পত্নীমৃতে হেমচন্দ্ৰে বিবাহ নকৰি।
গুৱাহাটী নগৰত ৰৈলা কাৰ্য্য কৰি।
অসমীয়া সাহিত্যৰ উন্নতি কৰিয়া।
কালে ছাৰিলন্ত প্ৰাণ পেঞ্চন ভুগিয়া ॥

বসেন্দ্ৰ বৰৰ কন্যা তুলসী বিহাইল ।
সন্তান নহৈল দেবী প্ৰাণ পৰিহিল ॥
মুকলিমূৰীয়া ভট্টাচাৰ্য্যৰ তনয়া ।
দ্বিতীয়ত পৰিণয় তুলসী কৰিয়া ॥
তিনি পুত্ৰ দুই কন্যা সতী গৰ্ভে ধৰে ।
আনন্দ বসন্ত সীতাৰাম অনন্তৰে ॥
জ্যেষ্ঠা কন্যা বিবাহিলে জীবেশ্বৰ সুত ।
নামত গোলাপ তাৰ কৰিলোঁ উক্ত ॥
লক্ষ্মীনাথ সুত খেটকেশ্বৰ বোলয় ।
দ্বিতীয়াক পৰিণয় কৰিয়া আছয় ।
গঙ্গাধৰ উকিলৰ সুত মীনধৰ ।
তাৰ সুতা আনন্দে বিহালে অনন্তৰ ॥
কন্যা এক পুত্ৰ এক আনন্দে লভিলা ।
পশুৰাম তনয়াক বসন্তে বিহাইলা ॥
সীতাৰাম বিবাহ সম্বন্ধ নাই ঘটা ।
বিবৰিবোঁ কমলচন্দ্ৰৰ বংশ কথা ॥
দুই পুত্ৰ দুই কন্যা ভৈল কমলৰ ।
দুলাল গোপাল নাম ভৈল তনয়ৰ ॥
কণ যে আইনা নামে ভৈল কন্যাদ্বয় ।
দীনধৰাত্মজ দুৰ্গা কণ পৰিণয় ॥
দুই সুত দুই সুতা কন উপজাইলা ।
আইনাক শিৱনাথ গোসাঁই পৰিনিলা ॥

দুই কন্যা পুত্ৰ এক আইনা গৰ্ভে ধৰে ।
দুলাল গোপাল কথা কহো অনন্তৰে ॥
মনুৰাম বৰুৱাৰ সুতা যিটো হয় ।
দুলালে পৰম প্ৰীতি বিবাহি আছয় ॥
গোবিন্দ নামত পুত্ৰ কন্যা আইকণ ।
গোপালৰ বিবাহৰ নাই সঙ্ঘটন ॥

গঙ্গাই বৰুৱাত্মজ তুৰাৰাম নাম ।
দেৱৰাম নামত তৃতীয় অনুপাম ॥
ইসবৰ একো নাই বংশ নিৰূপণ ।
দধিৰাম বৰুৱাৰ কৰোহোঁ বৰ্ণন ॥
দধিৰাম ভেৰগঞা বৰুৱা প্ৰখ্যাত ।
মহাই ফুকন সুতা বিবাহি সাক্ষাত ॥
দুই পুত্ৰ কন্যা এক সতী গৰ্ভে ধৰে ।
কহো বিৱৰিয়া সিটো কথা অনন্তৰে ॥
কেশৱ মহন্তে বিবাহিলে সেই সুতা ।
তাৰ সুতা ৰমেন্দ্ৰ ঘৰত বিবাহিতা ॥
জ্যেষ্ঠ পুত্ৰ বৈদ্য যিটো পৰম শ্ৰীমন্ত ।
শাস্ত্ৰত নিপুণ গুণগণে খ্যাতিমন্ত ॥
লক্ষ্মীনাথ নাম গজপুৰীয়া বৰুৱা ।
একজ্ৰা এচিষ্টেণ্ট বৈদ্য সন্ত্ৰম লভিয়া ॥

মধুৰবা ভতিজা গোপীৰ সহোদৰা ।
হৈল বৰুৱাৰ ভ্যাৰ্য্যা কাৰ্য্যত তৎপৰা ॥
পুত্ৰ তিনি কন্যা দুই গৰ্ভত ধৰিলা ।
পদ্মনাথ পীতাম্বৰ যজ্ঞেশ্বৰ হৈলা ॥
অবিবাহে পদ্মনাথ ছাৰিলা জীৱন ।
পীতাম্বৰ সুতা এক হৈলেক শোভন ॥
ৰতনপুৰীয়া যোগানন্দ যে মহন্ত ।
পীতাম্বৰ সুতাক যে বিহা কৰিলন্ত ॥
যজ্ঞেশ্বৰে অবিবাহে প্ৰাণ পৰিহৰি ।
বৰুৱাৰ বংশাৱলী হৈলা সাঙ্গ কৰি ॥
লক্ষ্মীনাথ বৰুৱাৰ ভ্ৰাতৃ চন্দ্ৰকান্ত ।
শাস্ত্ৰত পণ্ডিত কাৰ্য্যক্ষম বুদ্ধিমন্ত ॥
পুৰণি মাটিৰ কন্যা বিবাহ কৰিলা ।
এক পুত্ৰ এক কন্যা সতী প্ৰসৱিলা ॥
পদ্মকান্ত নামত তনয় সুবিনয় ।
মৌজাদাৰ হৈয়া দেৱগ্ৰামত আছয় ॥
মূকলিমূৰীয়া পূৰ্ণচন্দ্ৰ গোস্বামীৰ ।
দুহিতাক বিবাহিলে পদ্মকান্ত ধীৰ ॥
ছয় পুত্ৰ পদ্মকান্ত জায়া গৰ্ভে ধৰে ।
যোগকান্ত কদ্ৰকান্ত তুলসী তৎপৰে ॥
খগকান্ত পৰে ৰামগোপাল বিজয় ।
এই ছয় পুত্ৰ সতী ক্ৰমে প্ৰসবয় ॥

ৰামেশ্বৰ কলিচেঙ বৰুৱা তনয় ।
দেৱেশ্বৰ বৰুৱা পৰম সুবিনয় ॥
সুতা হেমদাক যোগকান্ত পৰিনিলা ।
নিঃসন্তানে যোগকান্ত প্ৰাণ পৰিহিলা ॥
উৰ্ব্বীধৰ বৰুৱা আত্মজ শশিধৰ ।
তাৰ সুতা কমলকান্তে বিবাহে অপৰ ॥
দুই পুত্ৰ এক কন্যা সতী প্ৰসবিলা ।
ৰামপ্ৰসাদ বিষ্ণুপ্ৰসাদ মাইচেনী হৈল ॥
চাপ কটা—সক সত্ৰ গোসাঁই তনয়া ।
বিবাহে তুলসীকান্ত পুত্ৰ আছে হৈয়া ॥
মুকলিমুৰীয়া কালীবল্লভ গোসাঁই ।
তাৰ সুতা খগকান্তে বিবাহে তথায় ॥
শেষ দুই পুত্ৰৰ বিবাহ নাই ঘটা ।
সমাপিলো এবে চন্দ্ৰকান্ত বংশ কথা ॥
গজাই বৰুৱাত্মজ বাপুৰাম সুত ।
জনাৰ্দ্দন বৰুৱা শ্ৰীমন্ত গুণযুত ॥
বাৰুণ ঘৰৰ কন্যা বিবাহে শোভন ।
তিন পুত্ৰ চাৰি কন্যা হৈল উত্তপন ॥
সোমেশ্বৰ জ্যেষ্ঠ পৰে মহেশ্বৰ হৈল ।
কনিষ্ঠ পুত্ৰৰ নাম চন্দ্ৰনাথ থৈল ॥
উৰ্ব্বীধৰ বৰুৱাৰ পুত্ৰ ৰঘুনাথ ।
বিবাহিল জ্যেষ্ঠা কন্যা জানিবা সাক্ষাত ॥

বৈদ্যনাথ পদ্মনাথ দুই পুত্র আছে।
কনিষ্ঠা কন্যাক নিত্যানন্দে বিবাহিছে।
শম্ভুনাথ মধুমিশ্র তনয় সিজন।
পুত্র কন্যা রাখি প্রাণ কৈলা বিসর্জ্জন।
জাজিগ্রামে শিরোমণি ঘরত দ্বিতীয়া।
রাজগুরু চিকৌ এক আছে বিবাহিয়া॥

*　　　*　　　*　　　*

গৌরাঙ্গ গোসাইর কন্যা শাস্ত্র সুচরিতা।
সোমেশ্বর বরুয়ার হৈল বিবাহিতা॥
পুত্র এক কন্যা এক সতী প্রসবিলা।
কালবশে পতি আগে প্রাণ বিসর্জ্জিলা॥
জাজির অনন্ত শর্ম্মা উকিল তনয়।
খগেশ্বর নাম তার অদ্যাপি আছয়॥
তার সুতা সমে কুলদার পরিণয়।
কালবশে অকালতে প্রাণ পরিহয়॥
বড়দৈব আধার মহন্ত বুলি খ্যাত।
সোমেশ্বর সুতা বিবাহিতা যে তথাত॥
উর্ব্বীধর বরুয়ার সুতা শোভনয়া।
মহেশ্বরে বিবাহ করিলে জষ্ট হৈয়া॥
তিনি পুত্র দুই কন্যা সতী গর্ভে ধরে।
জ্যেষ্ঠ কন্যা পরে নন্দ কন্যা অনন্তরে॥

ঝাঁজি গ্রামে চায়ানাথ তনয়া শোভনা।
কর্ণী বিবাহিলে পুত্র হৈল এক কন্যা॥
কর্ণীর ভগিনী দুই ক্রমে বিবাহিতা।
জ্যেষ্ঠা লোকনাথ পুত্র সনে পরিণীতা॥
কনিষ্ঠাক রত্নেশ্বর পুত্রে বিবাহিল।
সন্তান সন্ততি ক্রমে বংশ বিস্তারিল॥
মহেশ্বর রসেন্দ্র বকরা নাম খ্যাত।
তনয় কমলেশ্বর হৈলন্ত প্রখ্যাত॥
তার সুতা চন্দ্রনাথে রঙ্গে পরিণিলা।
এক পুত্র (বংশী) তিনি কন্যা প্রসবিল॥
ঈশ্বর ইচ্ছারে চন্দ্র পরলোক গৈল।
কলাবারী মৌজাদারে জ্যেষ্ঠা পরিণিল॥
দ্বিতীয়াক ঝাঁজি গ্রামে দিলন্ত বিবাহ।
সমাপিলোঁ জনার্দ্দন বংশর প্রবাহ॥

পিতৃর প্রপিতামহ রামদেব
তাঁর সুত কৃষ্ণরাম।
পরম সুধীর পণ্ডিত প্রবীর
গুণগণে অনুপাম॥
পুত্র তার চারি কহিবো বিবরি
গোবিন্দ আর গোপাল।

গৌৰীনাথ নাম পৰে পশু'ৰাম
ধাৰ্ম্মিক জ্ঞানী বিশাল ॥
পশু'ৰাম সুত সৰ্ব্বগুণযুত ।
জ্যেষ্ঠ হৈল বিকাৰাম ॥
হলিৰাম আৰ প্ৰাণনাথ সাৰ
কৈলোঁ। তিনি সুত নাম ॥
বিকা সুত বৰ কমল ঈশ্বৰ ।
পৰে নাৰায়ণ হৈল ।
হলিৰাম পুত্ৰ হৈল এক ভত্ৰ ।
ঘনশ্যাম নাম থৈল ॥
প্ৰাণনাথ শিষ্ট বৰুৱা বলীষ্ঠ ।
সুস্থ দেহী ধৰ্ম্মশীল ।
বৈদ্য বিদ্যা বিদ্ সৰ্ব্বত্ৰ প্ৰসিদ্ধ ।
জ্ঞানী মানী শান্তশীল ॥
এনাই ঘৰীয়া বৰুৱা হইয়া ।
ৰাজমান্য লভিলন্ত ॥
তাৰ বংশ তত্ব কহিবোঁ সমস্ত ।
এবে মই আদ্যোপান্ত ॥
ৰৰগুৰি নাম মহন্ত সুঠাম ।
তাৰ কন্যা চন্দ্ৰী নামা ॥
বিবাহে সাক্ষাত শিষ্ট প্ৰাণনাথ ।
প্ৰথমৰ এই ৰামা ॥

ছাগলি কটীয়া মহন্ত বুলিয়া।
দুর্গা নামে তাৰ সুতা।
দ্বিতীয়ে বৰুৱা থৈলা পৰিনিয়া।
পুত্র তিনি দুই সুতা॥

তিন পুত্র চাৰি কন্যা চন্দ্রা গৰ্ভে ধৰে।
চন্দ্রনাথ লক্ষ্মীনাথ কাশীনাথ পাৰে॥
প্রথম শেষৰ কন্যা প্রাণক ছাৰিল।
দ্বিতীয়াক নাৰায়ণে বিবাহ কৰিল॥
ঝাঁজি গ্রামে থাকে বৰ তামুলী সিজন।
তৃতীয়া কন্যাৰ কথা কৰোঁহোঁ বৰ্ণন॥
বতনপুৰীয়া মহাজন তিতাৰবে।
তৃতীয়াক বিবাহিলে হৰিষ অন্তৰে॥
হেমধৰ বৰুৱাৰ তনয়া (নৰ্ম্মদা) শোভনা।
চন্দ্রনাথে বিবাহিল অতি হৃষ্টমনা॥
দুই পুত্র তিনি কন্যা সতী গৰ্ভে ধৰি।
স্বামী বিদ্যমানে গৈল প্রাণ পৰিহৰি॥
আহতগুৰীয়া গোস্বামীৰ সুতা এক।
বিবাহিলে চন্দ্রনাথে (পুনৰায়) জানিবা প্রত্যেক॥
নিঃসন্তানে সতী স্বামী বিহীনা ভৈলন্ত।
অনাথা পিতৃৰ ঘৰে আশ্রয় লৈলন্ত॥

পূর্ব্ব স্ত্রীৰ (পুত্র) কীৰ্ত্তিনাথ গোপাল অপৰ।
কনিষ্ঠ তনয় নাম যতীন্দ্র প্রচাৰ॥
প্রথমা কন্যাৰ নাম গঙ্গী যে কহয়।
জাকুৰী কনিষ্ঠা মাজু মধ্যমা বোলয়॥
প্রেমনাথে নবগ্রামে গঙ্গী বিবাহিলে।
মাজুক কুমুদেশ্বৰে ৰঙ্গে পৰিনিলে॥
অধ্যাপক হেড়ম্ব ঈশ্বৰ মতিমান।
পৰম পণ্ডিত বুদ্ধিমন্ত ধনবান॥
ইদানীক গোস্বামী আখ্যায় অভিহিত।
কলা অধ্যাপক ঘৰ বুলি পূর্ব্বে খ্যাত॥
খাজগুৰু ফুকন তনয় সোমনাথ।
জাকুৰীক পৰিণয় কৰিল সাক্ষাত॥
পুত্রেকে ৰাখিয়া সতী প্রাণ পৰিহৰে।
কীৰ্ত্তিনাথ যতীন্দ্রৰ কথা অনন্তৰে॥
কলা অধ্যাপকাত্মজ হেড়ম্ব অগ্রজ।
নামত কনকেশ্বৰ গোস্বামী নিকজ।
তাহাৰ তনয়া কীৰ্ত্তিনাথে বিবাহিলা।
এক পুত্র তিনি কন্যা গর্ভত ধৰিলা॥
খগেন্দ্র তনয় কন্যা দুর্গেশ্বৰী বৰ।
কুমুদ ঈশ্বৰী হেমপ্রভা অনন্তৰ।
যজ্ঞেশ্বৰ শর্ম্মা শিষ্ট ধার্ম্মিক প্রবীৰ।
তাৰ সুত দুৰ্গেশ্বৰ পৰম সুধীৰ॥

দুৰ্গেশ্বৰ সুতা নাম ভবানী সুন্দৰী ।
তাৰ সুতা যতীন্দ্ৰে বিবাহে যত্ন কৰি ॥
বিদ্যা অৰ্থে বঙ্গদেশে যতীন্দ্ৰ চলিল ।
তদবধি বিধিবশে নিৰুদ্দেশ ভৈল ॥
শিৱসাগৰৰ খেটকেশ্বৰ পণ্ডিত ।
তাৰ কন্যা লক্ষ্মীনাথে বিবাহে ত্বৰিত ॥
চাৰি পুত্ৰ তিনি কন্যা সতী প্ৰসবিল ।
নীলনাথ বুদ্ধিশ্বৰ প্ৰেমনাথ ভৈল ॥
কালীনাথ নাম ভৈল চতুৰ্থ নন্দন ।
জ্যেষ্ঠ কনিষ্ঠই প্ৰাণ কৈলা বিসৰ্জ্জন ॥
মুক্তিনাথ কন্যা নীল কৈলা পৰিণয়
সন্তান নভৈল নীল প্ৰাণ পৰিহয় ॥
বুদ্ধিশ্বৰে ৰাজিগ্ৰামে বিবাহ কৰয় ।
কন্যা দুই সিটো জনে লভিয়া আছয় ॥
উমাকান্তি অপৰ যোগদা নাম থৈলা ।
প্ৰেমনাথে ইন্দ্ৰেশ্বৰ সুতা বিবাহিলা ॥
প্ৰেমনাথ পত্নী লভে তনয় শোভন ।
ভোলানাথ নাম থৈলা কৰিয়া গণন ॥
শুনা নাম লক্ষ্মীনাথ দুহিতা যে তিনি ।
গোলাপী অপৰা লীলাৱতী যে ভাবিণী ॥
নাম খগেশ্বৰ বৰঠাকুৰ বোলয় ।
গোলাপীক সিটো জনে বিবাহি আছয় ॥

ভট্টাচাৰ্য্য গোলাপ নামত সুবিনয়।
লীলাৱতী দেৱী সিটো কৈলা পৰিণয়॥
ৰত্নধৰ খাওন্দ বসতি নবগ্ৰাম।
বিবাহি তাৰিণী আয়ু কৈল উপশাম॥
দেৱী শৰ্ম্মা ঠাকুৰ মণ্ডল বুলি খ্যাত।
তাৰ কন্যা ভুৱনী বিবাহে কাশীনাথ॥
পত্নীৰ মৰণে কাশী তনয়াক আনি।
জ্যেষ্ঠ লক্ষ্মীনাথে সমৰ্পিল শুভ জানি॥
কাশীনাথ সুতা নাম অন্নদা বোলয়।
গুৱাহাটী প্ৰদেশত ঘটে পৰিণয়॥
গোলাঘাটে কাশীনাথে প্ৰাণক চাৰিল।
বৰুৱাৰ জ্যেষ্ঠা পত্নী কথা শেষ ভৈল॥
প্ৰাণনাথ বৰুৱাৰ দ্বিতীয়া ৰমণী।
নাম দুৰ্গা দেৱী পুত্ৰ একৰ জননী॥
পদ্মনাথ নাম তংচিল দাৰ ভৈল।
ভূধৰ মোক্তাৰ সুতা পদ্মে পৰিণিল॥
দুই পুত্ৰ তিনি কন্যা সতী গৰ্ভে ধৰে।
ভোলানাথ সূৰ্য্যনাথ ভৈল অনন্তৰে॥
দেৱৰাম মুক্তিয়াৰ জোৰহাটে ৰয়।
তাৰ ভ্ৰাতুষ্পুত্ৰ পদ্ম সুতা পৰিণয়॥

HE BOOK CAREFULLY.

পদ্মৰ প্ৰথমা পত্নী বিয়োগ ভৈলন্ত ।
শিৱদেৱ গোস্বামীৰ সুতা বিহাইলন্ত ॥
কালবশে পদ্মনাথ প্ৰাণ পৰিহয় ।
নিঃসন্তান পদ্মজায়া অদ্যাপি আছয় ॥

সম্পূৰ্ণ

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.